# ASSAM LEGISLATIVE ASSEMBLY DEBATES

## OFFICIAL REPORT

BUDGET SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE SIXTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

## VOL. - I

## No. 27

Dated the 16th June, 1978

1984

PRINTED AT RAJLAXMI PRINTERS
ZOO--NARENGI ROAD
GUWAHATI—24.

# DEBATES OF THE
# ASSAM LEGISLATIVE ASSEMBLY, 1978.

**( Budget Session )**

Volume—1

No. 27

Dated the 16th June, 1978.

---

—: CONTENTS :—



| | | Page |
|---|---|---|
| 1. | Questions | 1 |
| 2. | Miscellaneous | 39 |
| 3. | Voting on Demands For Grants | 39 |
| 4. | Miscellaneous | 63 |
| 5. | Calling Attention | 66 |
| 6. | Matter Under Rule 301 | 68 |
| 7. | Adjournment | 71 |

Proceedings of the Budget Session of the Assam Legislative Assembly assembled after the Sixth General Election under Sovereign Democratic Republican Constitution of India.

The House met in the Assembly Chamber, Dispur, Gauhati on Friday, the 16th June, 1978 with the Hon. Speaker in the Chair, 11 ( Eleven ) Ministers, 3 ( Three ) Ministers of State, 4 ( Four ) Parliamentary Secretaries and 89 ( Eightynine ) Members present.

## STARRED

## QUESTIONS AND ANSWERS

( To which oral answers were given )

Date : 16th June 1978

---

### *Re* : Chariali Ramgaon-Nagrijuli Road

**Shri Purna Boro** asked :

*209. Will the Minister, P.W.D. be pleased to state—

(a) Whether it is a fact that Chariali Ramgaon-Nagrijuli Road is one of the busiest road in the Kamrup District ?

(b) If so, whether Government will take steps to black-top the said road during the current financial year ?

**Shri Dulal Chandra Baruah** ( Minister, P.W.D. ) replied :

209. (a)—Yes, this is a busy road in the Kamrup Dtstrict.

(b)—Due to inadequate allocation of fund during the current financial year under schemetic head metalling and blacktopping, this may not be possible.

শ্ৰীপূৰ্ণবড়ো ঃ— মাননীয় অধ্যক্ষ মহোদয়, এই ৰাস্তাটো বৰ ব্যস্ত ৰাস্তা। সেই দিশটোলৈ চাই এই ৰাস্তাটো এতিয়াও 'ব্লেক টপিং' কৰা হোৱা নাই। মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা এইটো জানিব পাৰোনে যে এই ৰাস্তাটোৰ দৈৰ্ঘ্য কিমান আৰু ইয়াক ব্লেক টপিঙ'ৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা, (মন্ত্ৰী) ঃ— মাননীয় অধ্যক্ষ মহোদয়, এই ৰাস্তাটোৰ দৈৰ্ঘ প্ৰায় ৩৬·৩৭৪ কিলোমিটাৰ আৰু টকা পইচাৰ সুবিধা হলে, ইয়াক 'ব্লেক টপিঙ'ৰ ব্যৱস্থা কৰা হ'ব।

শ্ৰীবিপিন হাজৰিকা ঃ— মাননীয় অধ্যক্ষ মহোদয়, এইযে যিটো ৰাস্তাৰ কথা কোৱা হৈছে এই ৰাস্তা বিলাক আমাৰ ইতিমধ্যেই কৰা বৰ্ড-বিলাকক যিটো টকা দিয়া হৈছে সেই টকাৰে কিছুমান ৰাস্তাৰ কাম কৰাটো সম্ভৱপৰ নহব। গতিকে প্ৰয়োজনীয়তালৈ চাই কিছুমান ৰাস্তা অগ্ৰধিকাৰৰ ভিত্তিত লোৱা হবনে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) সেইটো ভৰা হৈছে। অগ্ৰধিকাৰৰ ভিত্তিত চাব, ডিভিজ্যনেল ৰড্, কমিউনিকেচন ব'ৰ্ডে লব ?

শ্ৰীবিপিন হাজৰিকা ঃ— মাননীয় অধ্যক্ষ মহোদয়, এই ব'ৰ্ডে যে লব সেইটো তেখেত সকলক দিয়া টকাৰ পৰা ল'বনে চৰকাৰে স্বকীয়াকৈ তাৰ ব্যৱস্থা কৰিব ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) ঃ— তেনেকুৱা ফাণ্ডৰ ব্যৱস্থা এতিয়ালৈকে নাই। কিন্তু বিত্তৰ আচঁনি কেন্দ্ৰীয় চৰকাৰৰ লগত আছে। ঋণৰ

যোগেদি কিছুমান ৰাস্তা অগ্ৰধিকাৰৰ ভিত্তিত লোৱাৰ ব্যৱস্থা কৰা হব ।

শ্ৰীবিপিন হাজৰিকা ঃ— মাননীয় অধ্যক্ষ মহোদয়, কিছুমান ৰাস্তা লবৰ কাৰণে 'এন, ই, চিক লোৱাৰ পৰামৰ্শ দিয়া হয় । তেনেকৈ দুই এটা ৰাস্তা কৰাও হৈছে । এই বছৰো কিছুমান ৰাস্তাৰ কাৰণে পৰামৰ্শ দিয়া হৈছে নেকি ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) ঃ— পৰামৰ্শ দিয়াৰ কাৰণে প্ৰস্তুতি চলাই আছোঁ । অহা আগষ্ট মাহত হব লগীয়া 'এন, ই, চি ৰ' মিটিঙত এইখিনি দাঙি ধৰা হব । এই আচঁনি এতিয়াও 'ফাইনেল' কৰা হোৱা নাই ।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী ঃ— মাননীয় অধ্যক্ষ মহোদয়, গড় অনুপাতে সমগ্ৰ ভাৰতবৰ্ষৰ ভিতৰতে অসমত 'চাৰ্ফে'চ' ৰাস্তাৰ সংখ্যা কম । এই কথা কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা কৰি বিশেষ পুঁজি ৰাস্তা নিৰ্মাণৰ কাৰণে আনিবলৈ চেষ্টা কৰিব নালাগেনে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) ঃ— মাননীয় অধ্যক্ষ মহোদয়, সপ্তম বিত্তীয় আয়োগ ইয়ালৈ আহোতে এই বিষয়ে তেখেত সকলৰ আগত আমি উদ্‌থাপন কৰিছোঁ, বিশেষকৈ ৰাস্তাবিলাকৰ কথা ।

শ্ৰীপূৰ্ণ বড়ো— মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো যে চাৰি আলি—আঠগাওঁ—নাগ্ৰিজুলি এই ৰাস্তাটো চাৰিটা সমষ্টিৰ মাজেদি গৈছে । এই ৰাস্তাটো বিগত বছৰত দুই কিলোমিটাৰহে মাত্ৰ ব্লেক টপিং কৰা হৈছে । গতিকে বাকী আৰ্ধকৰা খিনি এই বছৰতে হাতত লবনে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) ঃ— এই কথা চৰকাৰে বিবেচনা কৰিব । মাননীয় সদস্যই উল্লেখকৰা ৰাস্তাটোৰ ১.৩৭৪ কিলোমিটাৰ ৰাস্তা ব্লেক টপিং কৰা হৈছে আৰু বাকী ৩৫.৫৬ কিলোমিটাৰ কৰিবলৈ যি বাকী আছে সেইখিনি কৰিবলৈ ৫২ লাখ ৫০ হেজাৰ

টকাৰ আৱশ্যক হব। এই টকাটো হথাত আনি কৰাটো সম্ভৱপৰ নহব। গতিকে পূজিপালে পৰ্য্যায়ক্ৰমে কৰিবলৈ চেষ্টা কৰা হব।

শ্ৰীছামছুল হুদা ঃ— মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰৰ ঘৰলৈ দুইটা পইছা অহাৰ ৰাস্তা যি বিলাক ৰাষ্ট্ৰীয়কৃত ৰাস্তা আছে সেই বিলাক ৰাজ্যিক ভিত্তিত অগ্ৰাধিকাৰ দিবনে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা ( মন্ত্ৰী ) ঃ—মাননীয় সদস্য সকলে এফালে কৈছে যে, টকা বেছিকৈ আনিব লাগে। যদি এই ৰাস্তা বিলাক ৰাজ্যিক ভিত্তিত কৰিবলগীয়া হয় তেতিয়া পইছা নেথাকিব। কেন্দ্ৰীয় চৰকাৰৰ পৰা আনি হলেও এই বিলাক কৰিবলৈ চেষ্টা কৰা হব।

শ্ৰীছামছুল হুদা ঃ— মাননীয় অধ্যক্ষ মহাশয়, মই কৈছো ৰাষ্ট্ৰীয়কৃত ৰাস্তা বিলাক ৰাজ্যিক ভিত্তিত কৰিবনে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা ( মন্ত্ৰী )—মাননীয় অধ্যক্ষ মহোদয়, প্ৰায় বিলাক ৰাস্তাই ৰাষ্ট্ৰীয়কৃত হৈছে। সেই সকলো বিলাক কৰিবলৈ হলে আমাৰ এই বছৰৰ বাজেটত যি টকা ধৰা হৈছে তাৰে সৈতে এশ ভাগৰ এক ভাগো কৰিব নোৱাৰিম। গতিকে অহা বাৰৰ বাজেটৰ পৰা আমাৰ মহকুমা পৰ্য্যায়ত থকা ৰ'ড কমিউনিকেশ্বন বৰ্ড' বিলাকৰ অনুমোদন সাপেক্ষে এখন আচনিপ্ৰস্তুত কৰি পৰ্য্যায় ক্ৰমে কৰিবলৈ চেষ্টা কৰিম।

**Sri Benoy Kumar Basumatari**— Will the Minister be pleased to state whether Rs. 70 lakhs out of the Tribal sub-plan is sought to be diverted to P W. D. for roads ?

**Sri Dulal Chandra Barua** ( Minister )— Sub-plan is already there for 91 lakhs or so. It is according to the direction of the Govt. of India we are to make provision under Tribal sub-plan for development of roads. Therefore, the question of diversion is not done by us : but at the instance of the Centre we are to do it.

শ্ৰীকুলবাহাদুৰ ছেত্ৰী ঃ— মাননীয় অধ্যক্ষ মহোদয়, অসমৰ এনে কিছুমান পিছপৰা অঞ্চল আছে য'ত ৰাস্তাৰ 'ৰ' টোও নাই। সেই বিলাকত ৰাস্তা কৰাৰ কাৰণে চেষ্টা চৰকাৰে কৰিবনে?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) ঃ— মাননীয় অধ্যক্ষ মহোদয়, যত 'ৰ' নাই তাত 'ৰা' কৰিবলৈ চেষ্টা নিশ্চয় কৰা হব।

শ্ৰীযোগেন গগৈ ঃ— মাননীয় অধ্যক্ষ মহোদয়, অসমৰ পি, ডি, এছ ৰাস্তা বিলাক উন্নত কৰিবলৈ আৰু সাংস্কৃতিক গুৰুত্ব থকা অন্চল বিলাকৰ লগত যোগাযোগ ৰক্ষা কৰিবৰ কাৰণে ৰাস্তা ব্লেক টপিং কৰাৰ ব্যৱস্থা কৰিছে। কিন্তু যি বিলাক অবহেলিত অঞ্চল য'ত উদাহৰণ স্বৰূপে মোৰ সমষ্টিৰ কথাই কৈছো, মিৰি, মটক, কছাৰী আদিৰ মানুহে বাস কৰে সেই বিলাক ঠাইত ওলোৱা সোমোৱা কৰিবলৈকে ৰাস্তা নাই। তেনেকুৱা বিলাক জেগাত ৰাস্তা ঘাটৰ সুচল কৰিবলৈ চেষ্টা কৰিবনে?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) ঃ— মাননীয় অধ্যক্ষ মহোদয়, মই ইতিমধ্যেই কৈছো যে, আমাৰ যিবিলাক পিছপৰা ঠাই আছে সেই বিলাক ঠাইৰ ৰাস্তা-ঘাট বিলাক উন্নত কৰিবৰ কাৰণে আমি ব্যৱস্থা কৰিছো। ইয়াৰ লগতে এটা কথা কওঁ যে, সাংস্কৃতিক দিশৰ পৰা আৰু বুৰঞ্জীপ্ৰসিদ্ধ যিবিলাক ঠাই, সেইবিলাক ঠাইৰ ৰাস্তা-ঘাট বিলাকো উন্নত কৰিবৰ কাৰণে ব্যৱস্থাৰ কথা চিন্তা কৰিছো।

শ্ৰীনৰেন্দ্ৰ নাথ দত্ত ঃ— মাননীয় অধ্যক্ষ মহোদয়, ব্লেক টপিং কৰিলে ৰাস্তা-ঘাট বিলাকত বাছ চলাচল কৰাত সুবিধা হয়। আৰু ৰাজ্যিক পৰিবহন বিভাগৰ বাছ চলে। ইয়াৰ ফলত ব্যক্তিগত বাছ মালিক সকলৰ বাছ চলোৱাত অসুবিধা হয়। ব্যক্তিগত বাছৰ মালিক সকলৰ এই অসুবিধা আছে কাৰণেই 'ব্লেক টপিং' কৰাত ব্যক্তিগত বাছ মালিক সকলৰ হাত আছে বুলি মন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰোনে?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) ঃ— এইটো সত্য নহয়।

**Re : Borak River Control Scheme**

**SRi Kali Ram Deka Raja asked** ·

*210. Will the Minister, Flood Control be pleased to state—

(a) The present position of Barak River Control Scheme ?

(b) Whether separate authority for the purpose has been created under Flood Control Department ?

(c) If so, where the Head-Quarter of the authority is located ?

(d) Whether any scheme has so far been prepared ?

(e) If so, what will be the estimated amount and how it will be met ?

**Shri Ramesh Mohan Kouli** ( Minister, Flood Control ) replied :

210. (a)—This is under investigation by the Central Water Commission.

(b)—No.

(c)—Does not arise.

(d)—No.

(e)—Does not arise at present.

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী ঃ—মাননীয় আধ্যক্ষ মহোদয়, অনুসন্ধান কিমান চনৰ পৰাই চলিছে ?

শ্ৰীৰমেশ মোহন কুলি ( মন্ত্ৰী ) ঃ—মাননীয় অধ্যক্ষ মহোদয়, 'চেণ্ট্ৰেল ওৱাটাৰ কমিশ্যনে ১৯৭৭ চনৰ পৰাই আৰম্ভ কৰিছে ।

শ্ৰীকালিৰাম ডেকাৰজা ঃ—মাননীয় অধ্যক্ষ মহোদয়, এই অনুসন্ধানৰ ৰিপৰ্ট কেতিয়া পোৱা যাব ?

শ্ৰীৰমেশ মোহন কুলি ( মন্ত্ৰী ) ঃ—মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ইয়াৰ পৰা কৰোৱা নাই । ১৯৭৭ চনৰ পৰাই অনুসন্ধান আৰম্ভ কৰিছে—তেখেত সকলে কেতিয়া কৰে সেইটো আমাক এতিয়াও জনোৱা নাই ।

**Sri Altaf Hussain Majumdar :** Will the Minister be pleased to state when this proposal was mooted ?

**Sri Ramesh Mohan Kouli** ( Minister ) : The first investigation at Mainadhar was started in 1955.

**Sri Altaf Hussain Majumdar** : So the proposal was started in 1955. Will the Ministsr be pleased to state what is the present stage of investigation ? Has any site been suggested or clarified or going to be clarified ?

**Sri Ramesh Mohan Kouli** ( Minister )— From the record I find that the first investigation was started in 1955 but as that site was found unsuitable the next investigation was started at Narayandar but that area was submerged and hence no preference was given. In case of Narayandar there was objection from Manipur because of the fact that land in Manipur would be submerged and then it was decided against. Then a meeting was held at New Delhi on 27.12.75 where the C.Ms of Assam and Manipur were present and it was decided to do the investigation at an alternative site and accordingly investigation report has been submitted by the Central Water Commission.

**শ্রীনুরুল হুদা** ঃ— এই বরাক প্রকল্পের ব্যাপারটা আমরা বিগত ১০-১২ বৎসর ধরে শুনে আসছি, কিন্তু এই ব্যাপারে কোন কাজ আরম্ভ হয়েছে বলে আমরা জানিনা। সুতরাং আমি জানতে চাই যে রাজ্য সরকার এই ব্যাপারে ঐকান্তিক ভাবে চেষ্টা চলিয়ে যাবেন কি না যাতে কেন্দ্রীয় সরকারের নিকট থেকে প্রয়োজনীয় অর্থ সংস্থান পাওয়া যায় এবং এই বরাক-প্রকল্পকে যাতে জাতীয় পরিকল্পনা হিচাবে গণ্য করা যায় ?

**Sri Ramesh Mohan Kouli** ( Minister ) We have tried our level best ; we have been trying and we will try in future also. As the investigation has not been completed so we have not been able to do anything as yet.

**Sri Altaf Hussain Majumdar**— Will the Minister be pleased to state whether there has been any investigation at the third site and are they having any help from the Govt. of Assam in the matter ?

**Sri Ramesh Mohan Kouli** (Minister) :— Sir, I have already replied that this is under the Central Water Commission under the N. E. C. and the expenditure incurred on investigation will be borne by the N. E. C. So, this is completely under the N. E. C., and if our staff is there I have got no information.

**Sri Altaf Hussain Mazumdar** :— Sir. will the Minister be pleased to take detailed information from the Govt. of India and place it before the House so that we can know about the Barak Dam.

**Sri Ramesh Mohan Kouli** (Minister) :— Yes, Sir, the matter has already been referred.

**Sri Altaf Hussian Mazumdar** :—Will the Minister obtain detailed information from the Govt. of India and place it before the House.

**Sri Ramesh Mohan Kouli** (Minister) :— Yes.

**Sri Fakhrul Islam** :— Sir, the scheme has been delayed to such an extent that the people of Cacher has become very much agitated. Whether the Government will take up immediate action in the matter ?

**Sri Ramesh Mohan Kouli** (Minister) :— Sir, I have already replied.

## বি ঃ স্থায়ী ৰাজধানীৰ স্থান নিৰ্ণয়ৰ বাবে নিয়োগ কৰা বিশেষজ্ঞ কমিটিৰ পৰামৰ্শৱলী

শ্ৰীগোলোক কাকতীয়ে সুধিছে ঃ

*২১১। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমৰ স্থায়ী ৰাজধানীৰ প্ৰশ্নটো আৰু কিমান দিন এনেভাবে অমিমাংসিতভাবে ৰখা হব ?

(খ) ৰাজধানীৰ স্থান নিৰ্ণয়ৰ বাবে নিয়োগ কৰা বিশেষজ্ঞ কমিটিৰ পৰামৰ্শৱলী চলিত বিধান সভাৰ অধিবেশনত দাখিল কৰি স্থায়ী ৰাজধানী নিৰ্ম্মাণৰ বাবে খাটাং সিদ্ধান্ত লবলৈ বিধান সভাক সুবিধা দিবনে ?

শ্ৰীগোলাপ বৰবৰা (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

২১১। (ক) আৰু (খ) স্থায়ী ৰাজধানীৰ স্থান নিৰ্ণয়ৰ প্ৰশ্নটো চৰকাৰৰ বিবেচনাধীন হৈ আছে। এই বিষয়ে খাটাং সিদ্ধান্ত, সকলো দিশ পৰীক্ষা কৰি যথা সময়ত গ্ৰহণ কৰা হব।

শ্ৰীগোলোক কাকতি ঃ— মাননীয় অধ্যক্ষ মহোদয়, ৰাজধানীৰ বিষয়ে আমাৰ বহু দিনৰে পৰাই আলোচনা-বিলোচনা হৈ আছে ইয়াৰ পৰা চৰকাৰে এইটো উপলব্ধি নকৰেনে যে ৰাজধানীৰ বিষয়টো খাতাং নোহোৱাৰ কাৰণে ৰাজ্যখনৰ প্ৰশাসনত অসুবিধা হৈছে ?

শ্ৰীগোলাপ বৰবৰা (মুখ্য মন্ত্ৰী) ঃ— নিশ্চয়, এইটো হয়, যিমান সোনকালে এই বিষয়ে সিদ্ধান্ত লব পাৰি সিমানেই আমাৰ কাৰণে ভাল, কিন্তু এই বিষয়টো টকাৰ ওপৰত নিৰ্ভৰ কৰিছে। ব্যৱস্থা মতে প্ৰায় ২৫ কোটি টকা কেন্দ্ৰীয় চৰকাৰে দিছিল তাৰে আধা ধাৰে দিছিল, এতিয়া নতুন ৰাজধানী নিৰ্ম্মান কৰিবলৈ হলে আমাক বহু টকাৰ আৱশ্যক হব আৰু সেই কথাটো আমি চেভেণ্ঠ ফাইনেন্স কমিশ্যনৰ' ওচৰত দাবী কৰিছিলো। শ্বিংলংৰ পৰা ৰাজধানী ইয়ালৈ নমাই স্থানান্তৰ কৰা কথাটো আমাৰ দায়িত্ব নাছিল, সেইকাৰণে আমি কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাবী কৰিছো। এই ক্ষেত্ৰত আমি যথেষ্ট পৰিমানে ধন পালেহে ৰাজধানীৰ কথাটো মীমাংসা কৰিব পৰা হব।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী ঃ— ইয়াৰ আগতে ৰাজধানী স্থানান্তৰ সম্পৰ্কত বহুতো অভিবৰ্ত্তন হৈছিল, অৱশ্যে সেই অভিবৰ্ত্তনত মই নাছিলো আমাৰ সো-ফালে বহি থকা সকলে ৰাজধানী স্থানান্তৰ আৰু ঠাই নিৰ্ব্বাচনত ৬ বছৰ লগালে, এতিয়া এই চৰকাৰে ৫ বছৰ লগাব নেকি ?

শ্ৰীগোলাপ বৰবৰা (মুখ্য মন্ত্ৰী)ঃ সোনকালেই ইয়াৰ সমাধান কৰিব পাৰিলে আমাৰ কাৰণেই ভাল।

শ্ৰীগোলোক কাকতি ঃ— এই যে ৰাজধানী স্থানান্তৰ সিদ্ধান্ত নোহোৱাৰ কাৰণেই একাউণ্টটেণ্ট জেনেৰেল অফিচ শ্বিলংৰ পৰা ইয়ালৈ নমাই অনাত অসুবিধা হৈছে ফলত অসমৰ বিভিন্ন অঞ্চলত অসমৰ যথেষ্ট সংখ্যক কৰ্ম্মচাৰীয়ে নিৰ্য্যাতন ভুগিবলগীয়া হৈছে।

শ্ৰীগোলাপ বৰবৰা (মুখ্য মন্ত্ৰী)ঃ— এই এজি অফিচ নমাই অনাৰ কাৰণে ইতিমধ্যে ঠাই বিচৰা হৈছে, আমি ঠাই বিচৰাৰ কাৰণে যো-যা কৰিছো।

শ্ৰীপ্ৰেম বৰা ঃ— ৰাজধানী স্থানান্তৰ সীদ্ধান্ত সম্পৰ্কে এইটো ৰাজনীতি ভিত্তিত বিবেচনা কৰা হব নে বিশেষজ্ঞ কমিটিৰ পৰামৰ্শৰ ওপৰত বিবেচনা কৰা হব?

শ্ৰীগোলাপ বৰবৰা (মুখ্য মন্ত্ৰী)ঃ ৰাজনীতিৰ ওপৰত বিবেচনা কৰা নহব।

শ্ৰীমুকুট শৰ্ম্মা ঃ— এই বিশেষজ্ঞ কমিটিৰ পৰামৰ্শৱলী এই অধিবেশনৰ ভিতৰতে এই সদনত দাখিল কৰা হব নেকি?

শ্ৰীগোলাপ বৰবৰা (মুখ্য মন্ত্ৰী) ঃ— চূড়ান্ত সিদ্ধান্ত লোৱাৰ পিচতহে দাখিল কৰা হব।

শ্ৰীমুকুট শৰ্ম্মা ঃ— এই চূড়ান্ত সিদ্ধান্ত লোৱাৰ কাৰণে কিমান দিন সময় লাগিব।

শ্ৰীগোলাপ বৰবৰা (মুখ্য মন্ত্ৰী) আগৰ চৰকাৰে ৬ বছৰতকৈ বেছি সময় লৈছিল, তাতকৈ বহু কম সময়ৰ ভিতৰত সমাধান কৰাৰ কাৰণে চেষ্টা কৰিম।

শ্ৰীভূবনেশ্বৰ বৰ্মণ ঃ— মুখ্যমন্ত্ৰী মহোদয়ে স্পষ্টভাবে জনাইছে যে ৰাজধানী স্থানান্তৰ প্ৰশ্নটো অসম চৰকাৰৰ দায়িত্বত নাছিল, যদি কেন্দ্ৰীয় চৰকাৰে সমস্ত টকা নিদিয়ে তেনেহলে অসম চৰকাৰৰ টকা খৰছ কৰাৰ আৱশ্যকতা আছে নেকি? আৰু ৰাজ্যৰ দূৰৱস্থা আৰু নিবনুৱা সমস্যাৰ ফালে চাই এনেকুৱা অৱস্থাত মুখ্যমন্ত্ৰী

মহোদয়ৰ পৰা জানিব বিচাৰিছো যে আজি গুৱাহাটীত বৰ্ত্তমান য'ত ৰাজধানী চলি আছে তাতেই অন্য ৰাজ্যৰ নিচিনাকৈ বিশেষ জাকজমকতা নকৰাকৈ স্থায়ী ৰাজধানী কৰাৰ বিবেচনা কৰিব নেকি ।

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) কেন্দ্ৰীয় চৰকাৰৰ পৰা বেচিকৈ ধন পোৱাৰ কাৰণে আমি দাবী কৰিছোঁ, এই যি ৰাজধানীখন ইয়ালৈ স্থানান্তৰ কৰা হ'ল । সাধাৰণ ভাবে এখন নতুন ৰাজধানী পতাৰ কাৰণে নহয় । এখন ৰাজধানীৰ পৰা উঠি আহিব লগীয়া হোৱাৰ কাৰণেহে এই ৰাজধানীখন বিচাৰিব লগীয়া হ'ল ।

শ্ৰীচামছুল হুদা :— অধ্যক্ষ মহোদয়, স্থায়ী ৰাজধানীৰ স্থানৰ ক্ষেত্ৰত বিশেষজ্ঞ কমিটিয়ে যিটো ৰিকোমেনডেচন দিছে সেইটো চৰকাৰে মানি ল'ব নে, নে নিজে স্থান নিৰ্ণয় কৰিব ?

শ্ৰীগোলাপ বৰবৰা [মুখ্যমন্ত্ৰী] :—বিশেষজ্ঞ কমিটীৰ ৰিকোমেনডেচন নিশ্চয় চোৱা হব ! কিন্তু সিদ্ধান্ত চৰকাৰেহে লব ।

শ্ৰীবনেন্দ্ৰ নাৰায়ণ বসুমতাৰী :—মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এটা প্ৰশ্নৰ উত্তৰত কৈছে যে ৰাজধানীৰ স্থানৰ কাৰণে যথেষ্ঠ টকা পালেহে এই সম্পৰ্কে সিদ্ধান্ত লোৱা হব । তাৰ মানে স্থানৰ বিষয়ে সিদ্ধান্ত লব । আগতে স্থানৰ সিদ্ধান্ত লব নে টকা বিচাৰিব ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— টকাৰ ওপৰত যথেষ্ট নিৰ্ভৰ কৰিব । কিন্তু কেন্দ্ৰীয় চৰকাৰৰ টকাৰ পৰিমানটো জানিলে ৰাজ্য চৰকাৰে কিমান টকা খটুৱাব পৰা যাব সেইটো বিবেচনা কৰা হব ।

**Shri Altaf Hussain Majumdar** :— Sir, may I ask the Chief Minister that he has been running the Government from Gauhati (Dispur) for the last three months whether he is getting any difficulty in running the administration from Dispur as the Capital of Assam ?

শ্ৰীগোলাপ বৰবৰা ( মুখ্য মন্ত্ৰী ) ইয়াতে চৰকাৰ চলি আছে আৰু আন সিদ্ধান্ত নহলে চলিয়েই থাকিব ।

Starred Question No. 212 was not, the member being absent.

## *Re* : Family Welfare Centre at Diphu

**Shri Barelong Terang** asked :

*213. Will the Minister, Health be pleased to state—

(a) Whether there is any Family Welfare ( Family Planning ) Centre at Diphu in Karbi Anglong ?

(b) If so, when it was established ?

(c) Whether it is a fact that the said centre has been shifted to Barpeta Town and if so, since when ?

**Shri Dulal Chandra Baruah** (Minister, Parliamentary Affaris ) replied :

213. (a)— Yes, there was a District Family Welfare Bureau at Diphu in Karbi Anglong.

(b)— It was established in the year 1960.

(c)—No District Family Welfare Bureau of Diphu was shifted to Mangaldoi on 8th November, 1975 and not to Barpeta Town.

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :— জনতা চৰকাৰ হোৱাৰ পিচত ফেমিলি প্লেনিং, ফেমিলি ৱেলফেয়াৰ হ'ল আৰু ফেমিলি প্লেনিং ব্ৰেকেটৰ ভিতৰত সোমাল। এই বিষয়ৰ চৰকাৰা কাম বিলাকো ব্ৰেকেটৰ ভিতৰত ৰাখিছে নেকি ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা মন্ত্ৰী :— ব্ৰেকেতৰ ভিতৰত ৰখা নাই।

**Shri Ranendra Narayan Basumatari** :— Sir, will the Honourable Minister be pleased to reply that the project was meant for the people of the Karbi Anglong District. This should be located in a place for which it is ment and it is also the accepted policy of rhe Government. It has been stated by the Honourable Minister that this Centre is being shifted to Barpeta Town. May I know from the Minister why this have been done ?

**Shri Dulal Chandra Barua,** (Minister, Parliamentary Affairs) — According to the records available with the Govt. the Centre was not funtioning there effectively. It is also a fact that the local people and the leaders of Karbi Anglong District did not show any interest to the family planning. Therefore considering all the aspects this centre has been shifted to a place where it can function very effectively.

**Shri Ranendra Narayan Basumatari** :— Sir, will not there be any resentment about the shifting of this centre to Barpeta town ?

**Shri Dulal Chandra Barua,** ( Minister, Parliamentary Affairs ) :— I do not think so. At least nothing has so far come to my knowledge. If the people of Karbi Anglong demand we will again shift the centre to Diphu.

**Shri Prasad Chandra Dalai** :— Sir, what is the difference between the Family Planning and Family Welfare Centre ?

**Shri Dulal Chandra Barua,** ( Minister, Parliamentary Affairs ) :— That I shall not be able to say, I think the doctors will be able to explain the difference well.

শ্ৰীচিৰাজুল হক :— মন্ত্ৰী মহোদয়ে জনাবনে যে কাৰবি আংলঙৰ পৰা এইটো স্থানান্তৰ কৰিলে কাৰবি আংলঙৰ কাম বন্ধ থাকিব নেকি ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা ( মন্ত্ৰী ) :— বৰপেটাতো থাকিব আৰু তাতো থাকিব । লোকৰ মুখৰ ভাত কাঢ়ি অনাটো বৰ্ত্তমান চৰকাৰে সমৰ্থন নকৰে ।

## বি ঃ হত্যাকাণ্ডনে আত্মহত্যা এক ৰহস্য

শ্রীবিষ্ণুলাল উপাধ্যায়ে সুধিছে ঃ

*২১৪। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে—

(ক) "মহাজাতি" পত্রিকাৰ ৩০ এপ্রিল ১৯৭৮ সংখ্যাত "হত্যাকাণ্ডনে আত্মহত্যা এক ৰহস্য" শীৰোণামাৰে প্রকাশিত ঘটনাৰ প্রতি চৰকাৰৰ দৃষ্টিগোচৰ হৈছেনে ?

(খ) যদি হৈছে তেন্তে এতিয়ালৈকে সবিশেষ বিবৰণ জনাবনে ?

(গ) পুলিচৰ তৎপৰতাৰ অভাৱৰ কাৰণে আচল দোষী ধৰা নপৰিব বাবে বুলি কিছুলোকে কৰা সন্দেহ দূৰ কৰিবলৈ চৰকাৰে কেনে ব্যৱস্থা লৈছে।

শ্রীগোলাপ বৰবৰা ( মুখ্য মন্ত্রী ) ঃ— য়ে উত্তৰ দিছে ঃ

২১৪। (ক)—মহাজাতি পত্রিকাৰ ৩০ এপ্রিল ১৯৭৮ সংখ্যাৰ সংবাদ চৰকাৰৰ দৃষ্টি গোচৰ হৈছে।

(খ)—এই সম্পৰ্কে বিতং বিবৰণী সদনৰ মেজত ৰখা হৈছে।

(গ)—পুলিচৰ ফালৰ পৰা তদন্তৰ ত্রুটি হোৱা দেখা নাযায়। চক্র পৰিদৰ্শকৰ তত্বাবধানত তুয়োটা গোচৰৰ তদন্ত চলি আছে।

শ্রীবিষ্ণুলাল উপাধ্যায় ঃ – এই মৃত লৰাটোৰ মোমায়েক হজনে মৃতকৰ মূৰটো বনুৱাক বিক্রি কৰা কথাটো সঁচানে ? যদি সচা হয় তেওঁ-লোকক গ্রেপ্তাৰ কৰাৰ ব্যৱস্থা লৈছেনে ?

শ্রীগোলাপ বৰবৰা ( মুখ্যমন্ত্রী) ঃ – গ্রেপ্তাৰ কৰা হৈছে।

শ্রীকুলবাহাদুৰ ছেত্রী ঃ— মৃত লৰাটোৰ নাম কি, আৰু তেওঁ কোন স্কুলত পঢ়িছিল ?

শ্রীগোলাপ বৰবৰা ( মুখ্যমন্ত্রী ) ঃ— হীৰালাল।

শ্রীগোলোক কাকতী ঃ— মুখ্যমন্ত্রী মহোদয়ৰ পৰা এটা কথা মই জানিব পাৰো নে যে মূৰ কটা ঘটনাৰ পৰা সেই অঞ্চলত এটা ব্যাপক বিক্ষোভৰ সৃষ্টি হৈছে। এই কথা বাতৰি কাকতত প্রকাশ হোৱাৰ

পিচত মুখ্যমন্ত্ৰীয়ে তদন্ত কৰাইছে নে পুলিচৰ ৰিপৰ্ট দিয়াৰ পিচত তদন্ত কৰাইছে। এই বিষয়ত মুখ্যমন্ত্ৰীৰ উত্তৰটো স্পষ্ট নহয় যেন তেখেতে নাভাবেনে ?

শ্ৰীগোলাপ বৰবৰা ( মুখ্য মন্ত্ৰী ঃ—এই বিষয়ে সদস্যৰ পৰাও অভিযোগ পোৱা হৈছে। কিন্তু পুলিচে আগৰে পৰা তদন্তৰ ব্যৱস্থা লৈছে।

## বি ঃ অসম চৰকাৰৰ স্মাৰক পত্ৰ

**শ্ৰীএ, এন, আক্ৰাম হুছেইনে সুধিছে ঃ**

***২১৫। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—**

**(ক) ভাৰতৰ ৰাষ্ট্ৰপতি যোৱা ১২ মে ১৯৭৮ৰ পৰা দুদিনীয়া অসম ভ্ৰমণৰ সময়ত ৰাজ্যখনৰ অনুন্নত অৱস্থা উন্নয়নৰ বাবে সৰহীয়াকৈ কেন্দ্ৰীয় সাহাৰ্য্যৰ প্ৰয়োজীয়তাৰ বিষয় উল্লেখ কৰি অসম চৰকাৰে এখন স্মাৰক পত্ৰ দিয়া সত্যনে ?**

**(খ) যদি সত্য হয় উক্ত স্মাৰক পত্ৰৰ নকল চৰকাৰে অনুগ্ৰহ কৰি সদনত দিবনে ?**

**(গ) ভাৰতৰ ৰাষ্ট্ৰপতিয়ে লাকুৱা তাপ বিদ্যুৎ প্ৰকল্পৰ আধাৰশিলা স্থাপনৰ অনুষ্ঠানত অসমৰ মুখ্যমন্ত্ৰীয়ে ৰাষ্ট্ৰপতিক আদৰণি জনাই ভাষণ দিছিলনে ?**

**(ঘ) যদি দিছিল মুখ্যমন্ত্ৰীৰ উক্ত অনুষ্ঠানত দিয়া ভাষণৰ প্ৰতিলিপি চৰকাৰে অনুগ্ৰহ কৰি সদনত দিবনে ?**

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

২১৫। (ক)—ৰাজ্য চৰকাৰৰ'পক্ষৰ পৰা কোনো স্মাৰক পত্ৰ দিয়া হোৱা নাছিল। কিন্তু লাকুৱা তাপ বিদ্যুৎ প্ৰকল্প আধাৰশিলা স্থাপনৰ অনুষ্ঠানত আৰু গুৱাহাটীৰ ৰাজহুৱা সভাত মুখ্যমন্ত্ৰীৰ আদৰণি ভাষণত অসমৰ বিভিন্ন সমস্যাৰ প্ৰতি কেন্দ্ৰৰ দৃষ্টি আকৰ্ষণ কৰা হৈছিল।

(খ)—প্ৰশ্ন নুঠে ।

(গ)—হয়, দিছিল ।

(ঘ)—দুয়োখনৰে প্ৰতিলিপি সদনৰ মেজত দিয়া হৈছে ।

শ্ৰীএ, এন, আক্ৰাম হুচেইন :— যেতিয়া ৰাষ্ট্ৰৰ কৰ্ণধাৰ প্ৰদেশত আহে তেতিয়া ৰাজ্য চৰকাৰে ৰাজ্যৰ বিভিন্ন প্ৰয়োজনীয় আৰ্থিক অৱস্থাটো তেওঁৰ ওচৰত দাঙি ধৰিব লাগে । এই বিষয়ত কি কাৰণত অসম চৰকাৰে আমাৰ ৰাজ্যৰ আৰ্থিক অৱস্থা জনাবৰ কাৰণে স্মাৰক পত্ৰ দিয়া নাই ?

শ্ৰীগোলাপ বৰবৰা (মুখ্য মন্ত্ৰী) :— গণতান্ত্ৰিক চৰকাৰৰ যি ব্যৱস্থা আছে সেই হিচাবে ব্যাপক আৰু বিস্তৃত বিৱৰণ আদি সাধাৰণতে প্ৰধান মন্ত্ৰীক দিয়া হয়—সেই হিচাবে আমি কোনো স্মাৰকপত্ৰ তৈয়াৰ কৰা নাই আৰু ৰাষ্ট্ৰপতিক দিয়া নাই—কিন্তু অসমৰ বিভিন্ন প্ৰধান সমস্যা কিছুমানৰ কথা আমি আদৰণি—ভাষণত উল্লেখ কৰি দৃষ্টিগোচৰ কৰিছোঁ ।

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী :— আদৰণি ভাষণৰ কথাবিলাকৰ লগতে অসমৰ বিশেষ অৱস্থাৰ সম্পৰ্কীয় কথাবিলাক তাত উল্লেখ কৰোতে ৰাষ্ট্ৰপতি গৰাকীৰ এই সম্পৰ্কে প্ৰতিক্ৰিয়া কেনেকৈ হৈছিল—মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই জনাবনে ?

শ্ৰীগোলাপ বৰবৰা (মুখ্য মন্ত্ৰী) :— ৰাষ্ট্ৰপতিৰ কোনো প্ৰতিক্ৰিয়া হোৱা নাই । সহানুভূতিশীলহে হৈছিল ।

শ্ৰীচিৰাজুল হক :— ৰাষ্ট্ৰপতি ইয়ালৈ আহোঁতে এম, এল, এ সকলক অন্ততঃ উপস্থিত থাকিবৰ কাৰণে নিমন্ত্ৰণ পত্ৰ দিয়া হৈছিল নে ? যদি দিয়া নাই—কিয় দিয়া নাছিল ।

শ্ৰীগোলাপ বৰবৰা (মুখ্য মন্ত্ৰী) :— এম, এল, এ সকলৰ উপস্থিতিৰ নিশ্চয় আৱশ্যক আছে, আৰু এম, এল, এ সকলে যদি নিমন্ত্ৰণ পত্ৰ পোৱা নাই তেন্তে সেইটো নিশ্চয় ত্ৰুটি থাকি গৈছে—তাৰ বাবে ক্ষমা ভিক্ষা কৰিছোঁ ।

## বি ঃ এজন শিক্ষক থকা প্ৰাইমাৰী স্কুল

শ্ৰীখগেন বৰবৰুৱাই সুধিছে ঃ

*২১৬। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমত এজন শিক্ষক থকা প্ৰাইমাৰী স্কুল কিমান আছে ?

(খ) শিৱসাগৰ মহকুমাত তেনে স্কুল কিমান আছে ?

(গ) চৰকাৰৰ সিদ্ধান্ত আছে নেকি, যে প্ৰাইমাৰী স্কুলত এজন শিক্ষক থাকিলেও হয় ?

(ঘ) যদি সিদ্ধান্ত নাই, তেন্তে শিৱসাগৰৰ ২৮১ নং লাদৈগড় বালক প্ৰাইমাৰী স্কুলত এজন শিক্ষক থকাটো হয়নে ?

(ঙ) যদি হয় কিমান দিনৰ পৰা মাত্ৰ এজনক ৰখাইছে আৰু কিয় ৰখা হৈছে।

শ্ৰীলক্ষ্যধৰ চৌধুৰী (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

২১৬। (ক)—ভৈয়াম অঞ্চলৰ তথ্যমতে ৪০৩৭ খন।

(খ)—২২৫ খন।

(গ)—প্ৰাইমাৰী স্কুলত এজন শিক্ষকহে থাকিব লাগে বুলি কোনো সিদ্ধান্ত নাই। ছাত্ৰ-ছাত্ৰীৰ সংখ্যাৰ ভিত্তিতহে শিক্ষকৰ সংখ্যা নিৰ্দ্ধাৰণ কৰা নীতি পাৰ্য্যমানে অবলম্বন কৰা হৈছে।

(ঘ)—হয়।

(ঙ)—১৯৭৩ চনৰ পৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যাৰ ভিত্তিত উক্ত স্কুলত এজন শিক্ষক ৰখা হৈছে।

শ্ৰীগোলক কাকতি ঃ— অধ্যক্ষ মহোদয়, শিক্ষা মন্ত্ৰী ডাঙৰীয়াই এটা কথা জনাবনে যে আমাৰ শিক্ষা পদ্ধতি সুন্দৰভাবে চলাবৰ কাৰণে চৰকাৰে অৰ্থ ব্যয় কৰি প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা নৰ্মাল স্কুল আৰু বেচিক স্কুল আদিত কৰিছে। সেই স্কুল বিলাকত যি পদ্ধতিৰে শিকোৱা হয়—সেই পদ্ধতি বাকী বিলাকত মনা হয় নে নহয় ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (শিক্ষা মন্ত্ৰী) ঃ— অধ্যক্ষ মহোদয়, প্ৰশ্নটো বৰ দীঘলীয়া হৈছে

আৰু মোৰ সিমান বোধগম্য হোৱা নাই।

শ্ৰীখগেন বৰবৰুৱা ঃ— এজনীয়া শিক্ষকে যদি কেতিয়াবা ছুটীত থাকিব লগীয়া হয় বা আন কিবা কাৰণত অনুপস্থিত থাকিব লগীয়া হয়— তেতিয়া গোটেই স্কুল খনেই গ'ল। সেই কাৰণে দুজন শিক্ষক দিয়াৰ ব্যৱস্থা অতি শীঘ্ৰে কৰিবনে? আৰু স্কুল বিলাক তেনেই তিনি চাৰি মাহ বন্ধ হৈ গৈছে তাৰ খবৰ মন্ত্ৰী মহোদয়ে ৰাখিছেনে?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (শিক্ষা মন্ত্ৰী) ঃ— খবৰ সম্পুৰ্ণ নাৰাখিলেও কিছু ৰখা হৈছে। এজনীয়া শিক্ষক স্কুলৰ তত্বাৱধান লোৱাতো অসুবিধা হোৱাৰ কাৰণে চৰকাৰে পাঠ্যক্ৰম লৈ সকলো কথা চিন্তা কৰিছে। যিহেতু আগৰ নীতি মতে ৪০ জন ছাত্ৰ-ছাত্ৰীক প্ৰশিক্ষণ দিবৰ কাৰণে এজন শিক্ষক নিয়োগ কৰা হৈছিল—সেই ব্যৱস্থা ঠিকমতে হোৱা নাই কাৰণে এতিয়া পৰ্য্যবেক্ষন কৰা হৈছে।

শ্ৰীঅতুল চন্দ্ৰ শইকীয়া ঃ— বহুতো স্কুল—বিশেষকৈ এজনীয়া স্কুল বিলাকত মহিলা শিক্ষক নিয়োগ কৰা হৈছে, তেখেতসকলে এনেয়ে মাহত তিনিদিন অনুপস্থিত থাকিব লাগে আৰু তেতিয়া স্কুলখন মুঠেই নচলে—গতিকে এই সম্পৰ্কে চৰকাৰে কি ব্যৱস্থা লৈছে জনাবনে?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (শিক্ষা মন্ত্ৰী) ঃ— সেইটো ব্যৱস্থা এতিয়া আৰু নচলিব।

শ্ৰীকুলবাহাদুৰ চেত্ৰী ঃ— আমাৰ এজনীয়া শিক্ষক থকা স্কুল বিলাকৰ বহুতে ডেপ্যুটেচনত ৩-৪ মাহৰ কাৰণে যায়, আৰু আমি দেখিছো সেইদৰে ডেপুটেচনত গৈ ৭-৮ বছৰ পৰ্য্যন্ত থাকে— সেই বিলাকৰ কি ব্যৱস্থা কৰিছে?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (শিক্ষা মন্ত্ৰী) ঃ—এতিয়া যাতে থাকিব নোৱাৰে তাৰ ব্যৱস্থা কৰা হব।

শ্ৰীমহম্মদ ছামচুল হুদা ঃ— এজনীয়া শিক্ষক থাকা স্কুল বিলাকৰ সেই শিক্ষকজন যদি কেতিয়াবা ছুটিত থাকে তেতিয়া বদলি কামিলা লগাই

স্কুল চলোৱা হয় নেকি ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (শিক্ষা মন্ত্ৰী) ঃ— তেনে সংবাদ মোৰ হাতত নাই ।

শ্ৰীবাণেশ্বৰ শইকীয়া ঃ— ৪০ জন ছাত্ৰ-ছাত্ৰীৰ কাৰণে এজন শিক্ষক নিয়োগ কৰাৰ যিটো নীতি আছে— সেই নীতিকেই এতিয়াও চলাই আছে, সেই নীতিটো প্ৰশিক্ষণৰ উপযুক্ত নীতি বুলি বৰ্ত্তমান চৰকাৰে ভাবে নেকি ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (শিক্ষা মন্ত্ৰী) ঃ— এতিয়া অৱশ্যে তেনে নীতি বিভিন্ন শিক্ষামূলক কিতাপত পোৱা যায় যে, ছাত্ৰৰ সংখ্যা অনুপাতে শিক্ষকৰ ব্যৱস্থা আছে, আৰু বৰ্ত্তমান প্ৰচলিত নীতি মতেই প্ৰাথমিক স্কুলত শিক্ষক নিয়োগ হয়। শিক্ষাত যে ব্যাঘাট হৈছে সেইটো আমাৰ চকুত ভালেখিনি পৰিছে ।

শ্ৰীনৰেন দত্ত ঃ— ছাত্ৰ-ছাত্ৰীৰ সংখ্যা অনুপাতে শিক্ষক নিয়োগ কৰোতে মন্ত্ৰী মহোদয়ে পৰ্য্যবেক্ষণ কৰি আছে বুলি কৈছে । এই পৰ্য্যবেক্ষণ কিমান দিনৰ মুৰত কাৰ্য্যকৰী কৰা হব মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (শিক্ষা মন্ত্ৰী)ঃ—সেইটো বেছিদিন নলয় । আমি গোটেই স্কুলতে কিমানদূৰ সম্ভৱ হয় দুই তিনিজন শিক্ষক দিবৰ কাৰণে ব্যৱস্থা কৰিছোঁ ।

শ্ৰীৰবীন্দ্ৰ মালাকাৰ ঃ— মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰিছো যে—এম, ভি আৰু এম, ই স্কুল বিলাকত চৌকিদাৰ দিয়াৰ ব্যৱস্থা আছে— সেইদৰে প্ৰাথমিক স্কুল বিলাকত ৭৩-৭৪ জন ছাত্ৰ-ছাত্ৰী আছে, সেই কাৰণে তাতো চৌকীদাৰ দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীচিৰাজুল হক ঃ—অসমত গড়ে ৪০ জন ছাত্ৰ-ছাত্ৰীৰ মাজত এজন শিক্ষক নিৰ্দ্ধাৰণ কৰি দিয়া হৈছে। এতিয়া এই ধৰণে গড় অনুপাত নিৰ্দ্ধৰণ কৰি দিয়া নীতি বৰ্ত্তমান চৰকাৰে পৰিহাৰ কৰিছে নে নাই ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (শিক্ষা মন্ত্ৰী) ঃ—পৰিহাৰ কৰা নাই। এই নীতি ১৯৭৩ চনৰ পৰাই চলি আছে। এতিয়া সেইবিলাক পৰীক্ষা-নিৰীক্ষা

কবি শিক্ষক নিয়োগ কৰিবলৈ ব্যৱস্থা লোৱা হৈছে

শ্ৰীযোগেন গগৈ :—অসম চৰকাৰে শিক্ষক নিয়োগৰ ক্ষেত্ৰত দুফলীয়া নীতি গ্ৰহণ কৰিছে। কিছুমান স্কুলৰ শিক্ষাৰ পদ্ধতি বেলেগ আৰু সেইবিলাকৰ প্ৰশিক্ষণ পদ্ধতি ভাল-কাৰণে তাত ল'ৰা-ছোৱালীক অভিভাৱকে প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰে। কিন্তু আন কিছুমান স্কুলৰ শিক্ষা পদ্ধতি সিমান ভাল নহয় বিশেষকৈ গাঁৱত থকা স্কুল বিলাকৰ শিক্ষা পদ্ধতি ভাল নহয় কাৰণে গাঁৱলীয়া ল'ৰা-ছোৱালীবিলাকে উন্নত ধৰণৰ শিক্ষা পদ্ধতি পোৱা নাই। যাৰ ফলত চৰকাৰৰ শিক্ষানীতিত-বৈষম্যমূলক নীতিয়ে দেখা দিছে। এই বৈষম্যমূলক নীতি দূৰ কৰাৰ কিবা ব্যৱস্থা চৰকাৰে কৰিছেনে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (শিক্ষা মন্ত্ৰী) :—অধ্যক্ষ মহোদয়, আমাৰ পিচপৰা অঞ্চলৰ ছাত্ৰ-ছাত্ৰীৰ শিক্ষাৰ সুবিধাৰ্থে জনতা চৰকাৰে পাৰ্য্যমানে সকলোখিনি চেষ্টা কৰিব।

শ্ৰীএ, এন, আক্ৰাম হুছেইন :—আমি জনাত প্ৰাইমাৰী স্কুলত প্ৰধানকৈ তিনিটা শ্ৰেণী আছে। এই কেইটা শ্ৰেণীৰ ইমান ছাত্ৰ-ছাত্ৰীক কেনেকৈ এজন শিক্ষকে পঢ়ায়—সেই পদ্ধতিটো জনাবনে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (শিক্ষা মন্ত্ৰী) :— বিশুদ্ধভাবেই স্কুল চলি আছে। তেখেতে মোৰ লগত চাবলৈ গলে সেই পদ্ধতিটো দেখুৱাব পাৰিম।

## *Re* : Construction of Sub-divisional Court Building Complex at Dhemaji

**Shri Lakhya Nath Doley asked :**

*217. Will the Chief Minister be pleased to state—

(a) Whether construction of Sub-divisional Court Building Com-

plex of Dhemaji will be started this year ?

(b) If so, what is the total estimated cost of the Court Building Complex ?

(c) When the construction of the building is likely to be completed ?

**Shri Golap Borbora** ( Chief Minister ) replied :

217. (a)—Yes.

(b)—Rs. 10,16,200 ( Rupees ten lakh sixteen thousand two hundred )

(c)—It depends upon the availability of fund. If fund permits it is likely to be completed by 1979-80.

**শ্ৰীঅতুল গোস্বামী :**—এতিয়া চিমেণ্টৰ যি অভাৱ হৈছে এই অভাৱৰ কাৰণে আৰু বেছি পিচুৱাই যাব এইটো কথা নাভাবেনে ? গতিকে চিমেণ্ট অনাৰ কাৰণে ভাৰত চৰকাৰৰ লগত শক্তিশালী ভাৱে জোৰ দিয়াৰ কথা চৰকাৰে নাভাবেনে ?

**শ্ৰীতুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :**—চিমেণ্ট অনাৰ সম্পৰ্কত ইতিমধ্যে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে ।

## বি : গো-ধন কিনাৰ বাবে কৃষকলৈ ঋণ

শ্ৰী এম, ইব্ৰাহিম আলীয়ে সুধিছে :

*২১৮। মাননীয় পশু পালন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমৰ সৰ্ব্বমুঠ গো-সম্পদ কিমান আছে ?

(খ) এই গো-সম্পদৰ কিমান শতাংশ এইবাৰ মৰিছে ?

(গ) গো-সম্পদ হেৰোৱা বৰপেটা মহকুমাত কিমানজন কৃষকক গো-ধন কিনিবলৈ চৰকাৰে ঋণ দিছে ?

(ঘ) বৰপেটা মহকুমাত বৰ্ত্তমান উক্ত ঋণৰ পৰিমাণ কিমান ?

শ্ৰীসমৰব্ৰহ্ম চৌধুৰী ( পশু পালন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

২১৮। (ক)—১৯৭২ চনৰ পশুধন পিয়ল অনুসৰি গো-ধনৰ সংখ্যা হ'ল

প্ৰায় ৬৩ লাখ।

(খ)—এই গো-সম্পদ প্ৰায় ০'১ শতাংশ গৰু-মহ ১৯৭৭-৭৮ বছৰটোত মৰিছে।

(গ)—পশু-পালন বিভাগৰ পৰা বৰপেটা মহকুমাত কোনো কৃষকক গো-ধন কিনিবলৈ ঋণ দিয়া নাই কিন্তু বৰপেটাৰ মহকুমাধিপতিয়ে ১০০ টা পৰিয়ালক ২৫০'০০ টকাকৈ মুঠ ২৫,০০০.০০ টকা ঋণ দিছে।

(ঘ)—বৰপেটা মহকুমাৰ চলিত বছৰৰ ৩১ মাৰ্চলৈকে দিয়া মূল ঋণৰ পৰিমাণ হ'ল ১০,৩১,০৭২.৭৩ টকা আৰু সুতৰ পৰিমাণ হ'ল ১,০৬,৭৭৮.৪২ টকা।

শ্ৰীইব্ৰাহিম আলি ঃ—বৰপেটা মহকুমাৰ পৰা যোৱা বাৰিষাত যিমান বিলাক দৰ্খাস্ত বিভিন্ন অফিচৰ পৰা মণ্ডল অফিচৰ যোগেদি পঠোৱা হৈছে, সেইবিলাক জাপে জাপে পৰি থকা কথাটো চৰকাৰে জানেনে ?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী (মন্ত্ৰী) ঃ—এই ঋণ পশুপালন বিভাগৰ পৰা দিয়া হোৱা নাই বুলি মই আগতেই কৈছো। ৰাজহ বিভাগৰ পৰা দিছে। ৰাজহ বিভাগত পৰি থাকিব পাৰে।

শ্ৰীযোগেন গগৈ ঃ— স্মল ফাৰ্ম ডেভেলাপমেণ্ট এজেঞ্চিত কিমান টকা খৰছ হৈছে ? কিমান ঋণ পাইছে সেইটো মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী (মন্ত্ৰী) ঃ—সেইটো বেলেগ প্ৰশ্ন। বেলেগে দিলে উত্তৰ দিব পৰা হব।

শ্ৰীঅতুল গোস্বামী ঃ— অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে জানেনে যে, ২৫০ টকাত গৰুৰ ঠেং এখনো পোৱা নাযায় ?

( উত্তৰ নাই )

শ্ৰীচিৰাজুল হক ঃ— এই গো-সম্পদ বৃদ্ধি কৰিবৰ কাৰণে চৰকাৰে কিবা চেষ্টা কৰিছেনে ? গোস্বামী ডাঙৰীয়াই কোৱাৰ দৰে দুই হাজাৰ টকালৈকে গৰু পোৱা নাযায় আৰু গৰুৰ চুট নোহোৱা

কাৰণে হাল বোৱাৰ অসুবিধা হয়। গতিকে এই ধৰণৰ গৰুৰ বৃদ্ধিৰ কাৰণে চৰকাৰে নতুন আচনি লবনে?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী (মন্ত্ৰী):— কুজ নোহোৱা গৰুৰ কাৰণে খেতিয়ক সকলৰ হাল বোৱাত ক্ষতিগ্ৰস্ত হোৱা বুলি মই নাভাবো। কাৰণ মহবিলাকৰ কুজ নাই আৰু মহেৰেও হাল বায়।

শ্ৰীভূমিধৰ বৰ্মন :— গৰু মৰাৰ কাৰণে ঋণ দিয়া ব্যৱস্থা আছে। খেতিয়ক সকলক অলপ ঋণ দিছে। বৰপেটা মহকুমাত ৮টা চাৰ্কোল আছে, তাৰ ভিতৰত কিমান গৰু মৰিছে তাৰ হিচাব মন্ত্ৰী মহোদয়ৰ হাতত আছেনে?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী (মন্ত্ৰী):— সেইটো মোৰ হাতত নাই। বেলেগ প্ৰশ্ন কৰিলে মই দিব পাৰিম।

শ্ৰীযোগেন গগৈ :— বৰপেটা প্ৰচেচিং ডেপুটি ডাইৰেক্টৰজন হুৱেল চাৰ্জত আছে, সেইটো সচাঁ নেকি?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী (মন্ত্ৰী):— সেইটো বেলেগ প্ৰশ্ন।

শ্ৰীনজমূল হক :— অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, যোৱাবাৰ বানপানীত অসমৰ বহুত গৰু মৰিছে আৰু খেতিয়ক সকলৰ যথেষ্ট ক্ষতি হৈছে। গোৱালপাৰাৰ ভুয়োপাৰে গৰু মৰি দম হৈ গৈছে গতিকে চৰকাৰে খেতিয়ক সকলক ঋণ দিয়াৰ ব্যৱস্থা কৰিবনে?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী (মন্ত্ৰী):— পশুপালন বিভাগে ঋণ দিয়া নাই বুলি মই আগতেই কৈছো। ৰাজহ বিভাগে দিছে।

## বিঃ নগাওঁ চৰকাৰী চিকিৎসালয়

শ্ৰীমুকুট শৰ্মাই সুধিছে:—

*২১৯। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) নগাওঁ চৰকাৰী চিকিৎসালয়ত কেইখন বিচনা আছে?

(খ) উক্ত বিচনা কেইখন নগাওঁৰ নিচিনা এখন জিলা চিকিৎসালয়ৰ কাৰণে যথেষ্ট হয়নে ?

(গ) যদি নহয়, চৰকাৰে চিকিৎসালয়ৰ সম্প্ৰসাৰণৰ কাৰণে কি ব্যৱস্থা লৈছে ?

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা (সংসদী পৰিক্ৰমা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ—

*২১৯। (ক)—১৭০ (এশ সত্তৰ) খন বিচনা আছে।

(খ)—নহয়।

(গ)—নগাওঁ জিলা চিকিৎসালয়ত ৩০০ খন বিচনালৈ সম্প্ৰসাৰণৰ কাৰণে চৰকাৰে ডিফলুত ১১২ বিঘা মাটি অধিগ্ৰহণ কৰিছে কিন্তু পুঁজিৰ অভাৱত কামটো হাতত লব পৰা নাই।

শ্ৰীমুকুত শৰ্মা ঃ— অধ্যক্ষ মহোদয়, ডিফলুলৈ স্থানান্তৰ কৰাৰ আগতে মন্ত্ৰী মহোদয়ে কেছে কৰিব পৰা নহব। বৰ্ত্তমান যিটো হস্পিতাল আছে নতুনকৈ ঘৰ সাজি বিচনা দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) ঃ— যিহেতুকে চৰকাৰে ইতিমধ্যে হস্পিতালখন স্থানান্তৰ কৰাৰ সিদ্ধান্ত লৈছে বেলেগকৈ টকা খৰছ কৰাতকৈ আচল ঠাইতে টকাটো খৰছ কৰাটো যুক্তিসংগত বুলি ভাবো।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী ঃ— এই হস্পিতালত ৰোগী সকলক কাপোৰ আদি দহ দিনৰ মূৰতো বদলি কৰি নিদিয়ে, এইটো কথালৈ লক্ষ্য কৰি সপ্তাহত অন্ততঃ এবাৰ বদলি কৰি দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) ঃ— তেনেকুৱা ধৰণৰ অভিযোগ পোৱা নাই কিন্তু আমি জানো যে অকল সেইখন হস্পিটালতেই নহয় অসমৰ আন হস্পিটালতো কাপোৰ আদি আঠৰা পৰ্য্যন্ত লৈতেৰা কৰি ৰাখে আৰু সোনকালে বদলি কৰি নিদিয়ে। এই কথাটো আমাৰ আৰু মাননীয় সদস্য সকলৰো নজৰত পৰিছে। এই বিষয়ে গভীৰ ভাবে চিন্তা কৰি কথাটো বিবেচনা কৰিবলৈ ভবা হৈছে।

শ্ৰীকুলবাহাদুৰ চেত্ৰী :— কেৱল নগাওঁতেই নহয় তিনিচুকীয়াতো টাউন হস্পিটালত এই অৱস্থা। এই বিষয়ে চৰকাৰে কিবা ব্যৱস্থা লবনে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— মই বিধান সভাত এই শিতানৰ উত্তৰ দিওঁতে কৈছিলো যে আমাৰ চিকিৎসা পদ্ধতিৰ যিবিলাক বিধি ব্যৱস্থা আছে সেইবিলাক সম্পূৰ্ণভাৱে নতুন কৰিবলৈ ব্যৱস্থা লব লাগে আৰু ইয়াৰ কাৰ্য্যকৰীকৰণৰ বাবে ৰাইজ আৰু মাননীয় সদস্য সকলৰ সহায় সহযোগ নিতান্ত দৰকাৰী আৰু তেনেকুৱা সহযোগ পালে আমি এই আসোঁৱাহবোৰ দূৰ কৰিবলৈ পাৰিম বুলি আশা কৰিছোঁ।

শ্ৰীছিৰাজুল হক :—এই বিচনা আদি নিদিয়াৰ কাৰণে যি সকল দোষী তেনে লোকৰ শাস্তি দিয়াৰ কথা চৰকাৰে চিন্তা কৰিছেনে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) : - এই ঘটনা অকল এখন হস্পিটালতে নহয়। এইটো এটা ক্ৰনিক ডিচেন্টিৰ নিচিনা হৈছে। গতিকে অমুক দোষী বুলি ধৰা কথা নহয়। শাসন যন্ত্ৰটোৰ কিবা হৈ পৰিছে গতিকে এই সম্পৰ্কত কি কৰিব পাৰি আপোনালোক আছে আৰু আমাৰ ফালৰ পৰাও চিন্তা কৰি থকা হৈছে।

শ্ৰীবানেশ্বৰ শইকীয়া :— নগাওঁ চিভিল হস্পিটালখন স্থানান্তৰ কৰাৰ কাৰণে ১১২ বিঘা মাটি অধিগ্ৰহণ কৰা হৈছে। কিন্তু টকাৰ অভাৱৰ কাৰণে এইটো আৰম্ভ হোৱা নাই নে আন কিবা কাৰণত বন্ধ হৈ আছে। আৰু অহা ষষ্ঠ পাঁচ বছৰীয়া পৰিকল্পনাত সম্পূৰ্ণ কৰা হবনে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— এই কথাটো বিবেচনা কৰা হব।

শ্ৰীমুকুট শৰ্মা :— হস্পিটালৰ সম্প্ৰসাৰণ নকৰিলে ৰোগী সকল মাটিত পৰি থকিবলগীয়া হৈছে এইটো সম্পৰ্কত কি কৰিব খুজিছে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী :— এইটো কেৱল তিনি মাহতে হোৱা নাই। বহুদিনৰ পৰা হৈ আছে। বৰ্ত্তমান থকা ঠাইত আগৰ চৰকাৰৰ অনুগ্ৰহত জেলত থকা সময়ত তালৈ চিকিৎসাৰ কাৰণে যোৱাৰ সৌভাগ্য ঘটিছিল। তাৰ যিটো পৰিবেশ তাত নাৰ্চ

আদিও থাকিব নোৱাৰে। উৎপাত কৰে। গতিকে স্বাস্থ্য-জনিত আৰু অন্যান্য কাৰণতেই হস্পিটালখন তাৰ পৰা অনাৰ কথা চিন্তা কৰা হৈছে।

Starred Questions No. 220 was not put the member being absent.

## Re : Diversion of Taxi Ali.

**Sri Promode Gogoi** asked :

*221. Will the Minister, P. W. D. be pleased to state—

(a) Whether it is a fact that the division of Taxi Ali under the Sibsagar P. W. D. Division is remaining incomplete for the last three years and thereby causing great inconvenience to the public ?

(b) If so, Whether the Government have taken steps to complete it before the ensuing rainy season ?

**Sri Dulal Chandra Baruah** :— (Minister, P. W. D.) replied :

221. (a)—Yes, Work on the diversion though taken up in March 1974 could not be completed due to resistance offcered by the land owners to part with their lands before receipt of full amount of land compensation. The Department had already placed founds with Civil Authority for payment of 50% land value in advance to the land owners and the rest of the amount can be pleaced at the disposal of Civil Authority only after the L. A. Estimates are received from Civil Authorities and sanctioned by the Department.

(b)—It will be possible to complete to the remaining works only when the land compensation is fully paid to the land owners and the land owners allow the Department to works on their land.

**Sri Promode Gogoi** :— In view of the fact that the local inhabitants are facing great inconvience becuase of non-completion

of the road, Whether Govt. will take special measure to maintain the normal communication during the rainy season.

**Sri Dulal Chandra Baruah** (Minister) :— The existing road is small and Govt. is taking all possible steps to maintain it so that the local people can use it.

শ্ৰীযোগেন গগৈ ঃ – কোৱঁৰপুৰ এটা ডাঙৰ মৌজা। বহুত জনসংখ্যা আৰু সেই মৌজাৰ একমাত্ৰ ৰাস্তা এইটোৱেই গতিকে এই ৰাস্তাটোত গুৰুত্ব নিদিয়াটো চৰকাৰৰ কেনে কথা জানিব পাঁৰোনে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী)ঃ— চৰকাৰৰ ফালৰ পৰা সম্পূৰ্ণভাৱে গুৰুত্ব দিছে। আমাৰ প্ৰশ্নকৰ্ত্তাজন এজন পুৰণা সদস্য আৰু জোৰ থকা সদস্য গতিকে এই সম্পৰ্কে তেখেতে আৰু আপোনালোক স্থানীয় প্ৰতিনিধি সকলে সহযোগ কৰিলে আমি কালিয়েই কাম আৰম্ভ কৰিব পাৰো। টকা পইচা ইতিমধ্যে দিয়া হৈছে, এষ্টিমেট দিয়া হৈছে। কিন্তু মাটি মুকলি হোৱা নাই। হলে কালিয়েই কাম আৰম্ভ কৰিব পৰা হব।

শ্ৰীযোগেন গগৈ ঃ— কিমান টকা ধৰা হৈছিল আৰু অধিগ্ৰহণৰ নামত কিমান টকা দিয়া হৈছে। বহুদিন হোৱা কাৰণে ৰাইজৰ মনত কি ধৰণৰ ভাৱ আহিব পাৰে সেই কথা চিন্তা কৰি খৰতকীয়া ব্যৱস্থাৰ কথা চিন্তা কৰিবনে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা ( মন্ত্ৰী ) ঃ— শতকৰা পঞ্চাশ ভাগ অধিগ্ৰহণৰ বাবে টকা দিয়া হৈছে ? আশী হাজাৰ দুশ সাতত্ৰিশ টকা দিয়া হৈছে। এতিয়া মাটিৰ দাম বাঢ়িছে আৰু সকলোৰে ধৰি এক লাখ চৌত্ৰিশ হাজাৰ চাৰিশ টকা লাগিব। এতিয়া বাঢ়িলে কাৰণে তিনি লাখৰ প্ৰয়োজন হব।

শ্ৰীযোগেন গগৈ ঃ— আলিটোৰ কাৰণে কিমান আছে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা ( মন্ত্ৰী ) ঃ— আগতে আছিল এক লাখ চৌত্ৰিশ হাজাৰ

চাৰিশ। এতিয়া ৰিভাইচত এষ্টিমেট মতে মাটিৰ দাম বাঢ়িছে আৰু প্ৰায় তিনি লাখ পৰিব।

## বিঃ বৰুৱাজ্বানী খৰিকট পথ

শ্ৰীদৈৱশক্তি ডেকাই সুধিছে ঃ

*২২২। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) বৰুৱাজ্বানী-খৰিকট পথটোৰ কাম কেতিয়া শেষ হব?

(খ) এই পথটো মান্দাকাটা পৰ্য্যন্ত যাবনে?

(গ) এই পথটোৰ কাৰণে কিমান টকাৰ মঞ্জুৰী দিয়া হৈছে?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

২২২। (ক)—লোৱা কামখিনি অহা জানুৱাৰী মাহৰ ভিতৰত সম্পূৰ্ণ হোৱাৰ আশা আছে।

(খ)—এই সংক্ৰান্তত বৰ্ত্তমান কোনো আঁচনি চৰকাৰে লোৱা নাই।

(গ)—২.৮৮৬ কিঃ মিঃ ৰাষ্টাৰ কাৰণে যোৱা ২ বছৰত মুঠ ৩,৪১;৮০০ টকাৰ প্ৰশাসনীয় অনুমোদন দিয়া হৈছে।

## Re : Creation of Revenue Circle at Khoirabari

**Sri Kali Ram Dekaraja asked :**

*223. Will the Minister, Revenue be pleased to state—

(a) Whether Government have considered the proposal

for creation of two more revenue circles, one at Dalgaon and the other at Khoirabari ?

(b) If so, when these will be sanctioned ?

**Sri Laksheswar Gohain** ( Minister, Revenue ) replied :

২২৩। (ক) আৰু (খ) – দলগাঁওত ৰাজহ চক্ৰ খোলাৰ কথা ১৮।২।৭৮ তাৰিখৰ আৰ এল আৰ, ৫৫।৬৭।৮৪ নং হুকুম মতে ঘোষণা কৰা হৈছে। খৈৰাবাৰীত ৰাজহ চক্ৰ খোলাৰ দাবীটোওঁ চৰকাৰে গঠন কৰি দিয়া উচ্চ শক্তি সম্পন্ন কমিটিয়ে বৰ্ত্তমানে পৰীক্ষা কৰি আছে।

শ্ৰীকালিৰাম ডেকাৰজা ঃ দলগাওঁত ঘোষণা কৰা চাৰ্কোলৰ কাম কেতিয়া আৰম্ভ হব জানিব পাৰোনে ?

শ্ৰীলক্ষেশ্বৰ গোহাই ( ৰাজহ মন্ত্ৰী ) ঃ – ইতিমধ্যে ৰাজহ বিষয়াক পঠোৱা হৈছে।

**Mr. Speaker**— The Question hour is over. Now, short notice Question.

## Undisposed starred Questions dated 16-6-78

### বিঃ তেজপুৰ মহকুমাত ধান সংগ্ৰহ

শ্ৰীগোলোক ৰাজবংশীয়ে সুধিছে ঃ

*২২৪। মাননীয় যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ১৯৭৮ চনত তেজপুৰ মহকুমাত কিমান ধান সমবায় সমিতিৰ জৰিয়তে সংগ্ৰহ কৰা হৈছে ?

(খ) এই সংগৃহীত ধান বৰ্ত্তমানে ক'ত জমা ৰখা হৈছে ?

গ) অভাৱৰ সময়ত এই সংগৃহীত ধানে জনসাধাৰণৰ চাহিদা পূৰণ

করিব পাৰিবনে ?

(ঘ) যদি নোৱাৰে, চাউল যোগানৰ ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা লোৱাৰ সিদ্ধান্ত কৰিছে ?

শ্ৰীহুলাল চন্দ্ৰ বৰুৱা ( যোগান বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

২২৪। (ক)—১৯৭৭-৭৮ খাৰিফ বছৰত তেজপুৰ মহকুমাত মুঠতে ৮৫৭২ কুইণ্টল ধান সমবায় সমিতিৰ জৰিয়তে সংগ্ৰহ কৰা হয়।

(খ)—এই সংগৃহীত ধান বৰ্ত্তমান তেজপুৰ মহকুমাৰ বিভিন্ন ঠাইত থকা খাদ্য ভঁৰালত জমা আছে।

(গ) আৰু (ঘ) নোৱাৰে। সেই বাবে কেন্দ্ৰীয় ভৰাঁলৰ পৰা প্ৰয়োজনীয় চাউল আনি ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ যোগেৰে আবণ্টন দি ৰাইজৰ চাহিদা পূৰণ কৰাৰ ব্যৱস্থা কৰি ৰখা হৈছে।

## বিঃ স্নাতকোত্তৰ পাঠ্য

শ্ৰীখগেন বৰবৰুৱাই সুধিছে ঃ

*২২৫। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে— এইটো সত্যনে যে এজন স্নাতকোত্তৰ হবলৈ দুবছৰতকৈ বেছি সময় লাগে ?

শ্ৰীসোনেশ্বৰ বৰা ( কৃষি বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

২২৫।—নহয়।

## বিঃ কেন্দুকোনা-বাহাৰঘাট পথ

শ্ৰীদৈৱশক্তি ডেকাই সুধিছে ঃ

*২২৬। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি

জনাবনে—

(ক) কেন্দুকোনা-বাহাৰঘাট পথটো উন্নত কৰাৰ কিবা ব্যৱস্থা কৰিছে নেকি ?

(খ) যদি কৰিছে এই কাম কেতিয়া সম্পূৰ্ণ হব ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

২২৬। (ক)—গড়কাপ্তানী বিভাগৰ অধীনত কেন্দুকোনা-বাহাৰঘাট নামৰ ৰাস্তা নাই। কেন্দুকোনা আৰু বাহাৰঘাট, কেন্দুকোনা-চাংসাৰী আৰু কমলপুৰ-মৰোৱা গড়কাপ্তানী ৰাস্তাৰ জৰিয়তে সংযোগ হৈছে। এই ঠাই দুখন সংযোগ কৰা উক্ত ৰাস্তা দুটাৰ উন্নতি কৰাৰ আঁচনি বৰ্ত্তমান চৰকাৰৰ হাতত নাই।

(খ)—ওপৰোক্ত (ক) প্ৰশ্নৰ উত্তৰৰ পৰিপ্ৰেক্ষিতত প্ৰশ্ন নুঠে।

## SHORT NOTICE

## QUESTIONS AND ANSWERS

Date : 16th June, 1978

---

### বি ঃ ইন্দ্ৰাচল পাহাৰৰ "শিশু গ্ৰাম"

শ্ৰীগোলোক কাকতীয়ে সুধিছে ঃ

৪। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) আগৰ মুখ্য মন্ত্ৰীৰ সভাপতিত্বত আৰু স্বাস্থ্য মন্ত্ৰীৰ সম্পাদনাত গঠিত হোৱা "বোৰ্ড অৱ ট্ৰাষ্টীৰ" যোগে উত্তৰ গুৱাহাটীৰ ইন্দ্ৰচল পাহাৰত পাতিব খোজা শিশু গ্ৰাম বৰ্ত্তমান কি অৱস্থাত আছে।

(খ) অসম বাল কল্যাণ পুঁজিৰ পৰা দিয়া ১৭ লাখ (সোতৰ লাখ) টকা আৰু কেন্দ্ৰীয় চৰকাৰৰ পৰা পোৱা ৬০,০০০ টকাৰ সদব্যৱহাৰ হ'লনে?

(গ) বৰ্ত্তমান "বোৰ্ড অৱ ট্ৰাষ্ট" জীৱিত অৰ্থাৎ কৰ্মথ অৱস্থাৎ আছেনে?

শ্ৰীৰমনী বৰ্মণ (সমাজ কল্যাণ বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৪। (ক) শিশু গ্ৰাম অনুস্থানটি অন্যান্য স্বেচ্ছাসেৱী অনুষ্ঠানৰ দৰেই Aotonomous অনুষ্ঠান হোৱাত উক্ত অনুষ্ঠানৰ বিষয়ে চৰকাৰৰ কোনো পোনপটীয়া খবৰ নাই। অসম ৰাজ্যিক বানপনী সাহায্য কমিটিৰ পৰা জনামতে শিশুগ্ৰামৰ বৰ্ত্তমান কাম-কাজ তলত উল্লেখ কৰা অৱস্থাত আছে।

১। ইন্দ্ৰাচল পাহাৰৰ সমুদায় মাটি শিশু গ্ৰামৰ বাবে চিকিউৰিটি ফেনচিং দি বন্ধা হৈছে।

২। উত্তৰ গুৱাহাটী কলেজৰ ওচৰৰ পৰা শিশু গ্ৰাম সংযোগ কৰি এটি নতুন পথ বান্ধি, শিল দি পকা কৰা (Black top) হৈছে।

৩। শিশুগ্ৰামৰ কাৰ্য্যালয়ৰ বাবে এটি ঘৰ ঠিক কৰোৱা হৈছে। কিন্তু বেৰা আদিৰ কাম এতিয়াও কৰিব পৰা নাই।

৪। শিশুগ্ৰামৰ আন ৬টা ঘৰৰ বাবে প্ৰিফেব্ৰিকেটেড ষ্ট্ৰাকচাৰ তৈয়াৰ কৰোৱা কাম হৈ গৈছে।

৫। ৩।৪ মাহৰ ভিতৰতে ঘৰকেইটা সাজি উলিয়াব পাৰিব বুলি অনুষ্ঠানটিয়ে আশা কৰিছে।

৬। ঘৰ সজা কাম সম্পূৰ্ণ হলেহে শিশুগ্ৰামত শিশু ভৰ্তি কৰাৰ কাম আৰম্ভ কৰিব পাৰিব।

(খ) অসম ৰাজ্যিক বানপানী সাহায্য কমিটিৰ পুঁজিৰ পৰা দান হিচাপে আগ বঢ়োৱা ১৭·০০ (সোতৰ) লাখ টকাৰ পৰা কিছু অংশ খৰছ কৰি ওপৰোক্ত কামবোৰ কৰোৱা হৈছে বুলি জনা গৈছে। এই কামবোৰ অসম চৰকাৰৰ গড়কাপ্তানী বিভাগৰ স্থানীয় বিষয়াৰ তত্বাৱধানত উক্ত বিভাগৰ নিয়ম অনুসৰিয়েই কৰা হৈছে বুলিও জনাইছে। বাকীখিনি টকা বেংকৰ ফিক্সড ডিপোজিত চাৰ্টিফিকেট যোগে জমা থোৱা আছে বুলি জনাইছে।

প্ৰশ্নত সোধামতে কেন্দ্ৰীয় চৰকাৰৰ পৰা পোৱা টকাৰ পৰিমাণ ৬০,০০০·০০ নহয়। ৬০,৩০০·০০ (ষাঠি হেজাৰ তিনিশ) টকাহে। এই টকা ১৯৭৫-৭৬ চনৰ বিত্তীয় বৰ্ষত শিশুগ্ৰামৰ ২০০ শিশু ভৰণ-পোষণৰ বাবে দিয়া হৈছিল যদিও ঘৰৰ অসুবিধাত উক্ত টকা খৰছ কৰিব পৰা অৱস্থাৰ উদ্ভৱ নহ'ল। গতিকেই উক্ত টকা ইতিমধ্যে চৰকাৰক ঘূৰাই দিছে।

(গ) শিশুগ্ৰামৰ বোৰ্ড অব ট্ৰাষ্ট বৰ্ত্তমান কৰ্ম্মঠ অৱস্থাত আছে বুলিও জনা গৈছে।

শ্ৰীগোলোক কাকতী :— মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো, তেখেতে কৈছে যে এই অনুষ্ঠানটো কৰ্ম্মঠ অৱস্থাত আছে। যদি এই অনুষ্ঠানটো কৰ্ম্মঠ অৱস্থাত আছে তেনেহলে এই কমিটিৰ কাম-কাজ কেনে চলিছে আৰু কেইবাৰ সভা বহিছে?

তেখেতে লগতে কৈছে যে এই কমিটিৰ ওপৰত চৰকাৰী নিয়ন্ত্রন নাই যিহেতু এই অনুষ্ঠানটিলৈ চৰকাৰৰ তৰফৰ পৰা ১৭ লাখ, আৰু কেন্দ্রীয় চৰকাৰৰ পৰা ৬০ হাজাৰ টকা ব্যয় কৰিবলৈ দিয়া হৈছে। গতিকে এনেকুৱা এটা অৱস্থাত যিটো অনুষ্ঠানত অসংখ্য দুৰ্দশাগ্ৰস্থ লৰা-ছোৱালীৰ কথা আছে তাত চৰকাৰৰ ফালৰ পৰা নিয়ন্ত্রন কৰা সম্ভৱপৰ নহবনে?

শ্ৰীৰমণী বৰ্মণ (ৰাজ্যিক মন্ত্ৰী) :— প্ৰশ্নটো বৰ দিঘলীয়া। মোৰ হাতত যিখিনি খবৰ আছে বানপানী সাহায্য কমিটিৰ উদ্যোগত এই অনুষ্ঠানটো গঢ়ি উঠিছে আৰু তাত বোৰ্ড অৱ ট্ৰাষ্টি গঠণ কৰি দিছে। এই বোৰ্ডৰ কেইবাৰ সভা বহিছে সেই খবৰ মোৰ হাতত নাই। কিন্তু এই কথাটো মই কব পাৰো যে বানপানী সাহায্য কমিটিৰ উদ্যোগত এই শিশুগ্ৰাম অনুষ্ঠানটি গঢ়ি উঠিছে আৰু বানপানী সাহায্য কমিটিৰ পৰা পোৱা ১৭ লাখ টকাৰ ৩ লাখ ৪৯ হাজাৰ ৮৪৬ টকা ৯৭ পইছা খৰছ কৰিছে আৰু বাকীখিনি টকা ফিক্স দিপোজিট কৰি ৰাখি থৈছে আৰু কেন্দ্ৰীয় চৰকাৰৰ পৰা ৬০ হাজাৰ ৩০০ টকা পাইছিল কিন্তু ঘৰ আদি আৰম্ভ কৰিব নোৱাৰা বাবে সেইখিনি ঘূৰাই দিছে।

শ্ৰীগোলোক কাকতী :— এইটো এটা জনকল্যান অনুষ্ঠান মই নিজে কেবাবছৰো ধৰি জনকল্যানৰ কামত লাগি আছো। সেইফালৰ পৰা মই ভাবো চৰকাৰে ইয়াত এটা স্বকীয়া ভূমিকা গ্ৰহণ কৰিব লাগে তাত কিবা বাধা আছে নেকি নাজানো। আমাৰ যে শ্ৰীশৰৎ চন্দ্ৰ সিংহ ইয়াত আছে তেওঁ মুখ্য মন্ত্ৰী হিচাবে ইয়াত আছে নে ব্যক্তিগতভাবে নামত আছে।

শ্ৰীৰমনী বৰ্মণ (ৰাজ্যিক মন্ত্ৰী) :— মুখ্য মন্ত্ৰী হিচাবে নহয়, ব্যক্তিগতভাবে বোৰ্ড অৱ ট্ৰাষ্টিৰ সভ্য হৈ আছে।

শ্ৰীগিয়াচুদ্দিন আহমেদ :— মন্ত্ৰী মহোদয়ে এই কথা জানে নে যে ১৯৭৪ চনত ধুবুৰী মহকুমাত কেবাবাৰো বাৰে বাৰে বানপানী হোৱাত সেই অঞ্চলৰ দুৰ্দশাগ্ৰস্থ ১৫০০০ মানুহ অনাহাৰত পৰিছিল

আৰু তাত এটা ৰিলিফ ফাণ্ড কৰা হৈছিল আৰু এই কথা সচা নেকি যে এই শিশুগ্ৰামটো ধুবুৰী মহকুমাৰ কাৰণে আছিল ?

শ্ৰীৰমনী বৰ্মণ :— ( ৰাজ্যিক মন্ত্ৰী ) : কোন মহকুমাৰ নাজানো মোৰ হাতত যিটো খবৰ আছে সেইমতে এইটো বানপানী সাহায্য কমিটিৰ তৰফৰ পৰা পোৰা ১৭ লাখ টকাৰ আধাৰত গঢ়িত অনুষ্ঠান ।

শ্ৰীজীৱন বৰা :— মই মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব বিচাৰিছো এই শিশুগ্ৰাম অনুষ্ঠানটিত কিমান টকা এতিয়ালৈকে খৰচ কৰা হৈছে আৰু কি কি হেডত ?

শ্ৰীৰমনী বৰ্মণ ( ৰাজ্যিক মন্ত্ৰী ) :— এতিয়ালৈকে ৩ লাখ ৪৯ হাজাৰ ৮৪৬ টকা ৯৭ পইছা খৰছ হৈছে আৰু তাৰ ২০ টা হেডত আছে মই পঢ়ি দিছো ।

| | |
|---|---|
| 1. Conveyance Expenses— | Rs. 11,183.48 P. |
| 2. Honorarium to officer— | 7,200.00 |
| 3. Honorarium to staffs.— | 4,568.70 |
| 4. T. A.— | 10,610.58 |
| 5. Misc. Contigencies— | 2,053 63 |
| 6. Printing & Stationery— | 1,716.80 |
| 7. Postage Telegram and Telephones— | 485.05 |
| 8. Newspaper, Books and Periodicals— | 370.90 |
| 9. Advertisement charges— | 1,978 00 |
| 10. Laying of Foundation Stone | 6,375.80 |
| 11. Development of site— | 17,743.76 |
| 12. Carriage & Curtage— | 797.50 |
| 13. Bank Charges— | 86.20 |
| 14. Advance— | 35,000.00 |
| 15. Rent and Taxes— | 10,806.00 |
| 16 Furniture and Pixtures— | 4,086.74 |
| 17. Salary to staff— | 23,197.08 |
| 18. Construction— | 2,11,525.77 |
| 19. Entertainment— | 25.75 |
| 20. Mise. works at site— | 35.20 |
| Total Rs. | 3,49,846,97 p. |

ডাঃ তাৰিণীমোহন বৰুৱা ঃ—মাননীয় অধ্যক্ষ মহোদয়, নৰ্থ গুৱাহাটী শিশুগ্ৰামৰ কাৰণে বানপানী সাহায্য কমিটিয়ে ১৭ লাখ টকা দিছিল। সেই মৰ্মে এটা ট্ৰাষ্ট বোৰ্ড গঠন কৰা হৈছিল। এই ব'ৰ্ড খন কোনে গঠন কৰিছিল আৰু ইয়াৰ মেম্বাৰ সকল কোন কোন আছিল ?

শ্ৰীৰমণী বৰ্মণ (মন্ত্ৰী) ঃ— প্ৰশ্নটোৰ উত্তৰ মোৰ হাতত নাই। অৱশ্যে ট্ৰাষ্ট ব'ৰ্ডৰ সদস্য সকলৰ নাম হ'ল,—শ্ৰীশৰৎ চন্দ্ৰ সিংহ, শ্ৰীমতী পুস্পলতা দাস, শ্ৰীদেবেশ্বৰ শৰ্মা, শ্ৰীনিহাৰঞ্জন লস্কৰ, শ্ৰীপি, চি, গোৱেংকা, শ্ৰীগিৰিন্দ্ৰ চন্দ্ৰ চৌধুৰী, শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী, (হাঁহাকাৰ) ব'ৰ্ডখন কোনে বনাইছিল সেইটো খবৰ মোৰ হাতত নাই।

শ্ৰীগোলক কাকতি ঃ— মহোদয়, এইবোৰৰ পৰা এই কথা স্পষ্ট হৈছে যে, এই ব'ৰ্ডখন কংগ্ৰেছৰ ৰাজনৈতিক লোকৰ দ্বাৰা গঠিত হৈছিল। মানুহক ভুৱা দিবৰ কাৰণে মাত্ৰ বাহিৰৰ দুজন লোক ৰখা হৈছিল। কিন্তু সেই সদস্য দুজনক কোনো মিটিঙলৈ মতা হোৱা নাছিল। তাৰ ফলত সেই বাহিৰৰ সদস্য দুজনে পদ ইষ্টাফা দিছিল। তাৰ সকলো প্ৰমাণ মোৰ হাতত আছে। এইকথা মন্ত্ৰীয়ে জানেনে ?

শ্ৰীৰমণী বৰ্মণ (মন্ত্ৰী) ঃ— এই খবৰ মোৰ হাতত নাই।

শ্ৰীবিপিন হাজৰিকা ঃ— মহোদয়, এই টকাখিনি অসম চৰকাৰৰ টকা নহয়। বানবিধ্বস্ত অঞ্চলৰ পিতৃ-মাতৃহীন শিশু সকল আৰু তেনেধৰণৰ অসমৰ সন্তান সকলৰ সংস্থাপন কৰাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰ ১৭ লাখ টকা দিছিল কিন্তু প্ৰকৃতপক্ষে সেই টকা দলায় স্বাৰ্থত অপব্যৱহাৰ কৰি শিশু সকলৰ কোনো কামেই কৰা নহ'ল। গতিকে এই বিষয়টোৰ এটা ভাল তদন্ত কৰিব লাগে।

শ্ৰীৰমণী বৰ্মণ (মন্ত্ৰী) ঃ— এইটো তদন্ত কৰিব লাগিব। (হাঁহাকাৰ)

শ্ৰীঅজয় দত্ত ঃ— মহোদয়, এই বিষয়টোত আমাৰ গুৰু দায়িত্ব আছে। ১৯৭৪ চনত বানবিধ্বস্ত অঞ্চলত পিতৃ-মাতৃহীন ল'ৰা-ছোৱালী বিলাকৰ

কাৰণে এই টকাখিনি কেন্দ্ৰীয় চৰকাৰ সাহায্যাৰ্থে দিছিল আৰু এই টকা বিলাক কৰ্মচাৰী ডিষ্ট্ৰিক কমিটিবোৰৰ কৰ্মচাৰী পুনৰ সংস্থাপন বিভাগৰ কৰ্মচাৰী সকলে প্ৰকৃত কামত এই টকা খৰছ নকৰি দলীয় স্বাৰ্থ সিদ্ধি কৰা হৈছে। তাৰ এটা পূৰ্ণ তদন্ত আমাক লাগে। (হাঁহাকাৰ)

**Sri Noorul Huda** :— May I point out, Sir, that the Hon. member has stood up for the 9th time to draw your attentions ?

Mr. Speaker : Yes, he has caught my eyes. Let Minister answer the question.

শ্ৰীৰমণী বৰ্মণ (মন্ত্ৰী) ঃ— অফিচিয়েল সকলৰ অনৰেৰিয়াম আদি দিয়া হৈছে আৰু এইকাম এজন স্পেচিয়েল অফিচাৰৰ অধীনত দিয়া হৈছিল। ইয়াত এইখিনিকে পাইছো।

শ্ৰীবীরেশ মিশ্র ঃ— মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয় একথা বলবেন কি যে এই ট্ৰাষ্টি বোর্ড গঠণ করা হয়েছে সেটা রেজিষ্টার্ড না এম নিতেই সরকার গঠন করে দিয়েছিল।

শ্রীরমনী মোহন বর্মণ ( মন্ত্রী ) ঃ— রেজিষ্টার্ড।

শ্রীবীরেশ মিশ্র ঃ—আমাদের মাননীয় সদস্য শ্রীশরৎ চন্দ্র সিংহ যে এই বোর্ডের সঙ্গে যুক্ত আছেন, তিনি কি ব্যক্তি হিসাবে আছেন না আগে যে মুখ্যমন্ত্রী ছিলেন সেই হিচাবে।

শ্রীরমণী মোহন বর্মণ ( মন্ত্রী ) ঃ — ব্যক্তি হিসাবে।

UNSTARRED

## QUESTIONS AND ANSWERS

(To which answers were laid on the Table)

Date : 16th June 1978

---

**Re : Subsidised Ayurvedic Dispensaries**

**Shri Mathura Mohan Sinha** asked :

31. Will the Minister, Health be pleased to state—

(a) Whether there is a proposal to convert some Government Subsidised Ayurvedic Dispensaries into State Dispensaries ?

(b) If so, the names of the Dispensaries selected for the purpose ?

(c) Whether Government have received Public representation in this regard for conversion of Mulagaon Government Subsidised Ayurvedic Dispensary into State Dispensary ?

(d) If so, whether Government will take proper action in this regard ?

**Sri Dulal Chandra Baruah** ( Minister, Parliamentary Affairs ) replied :

31. (a)—There is no such proposal at present to upgrade the existing Subsidised Ayurvedic Dispensaries to Ayurvedic State Dispensaries.

(b)—Does not arise.

(c)—Yes.

(d)—Does not arise in view of reply at (a) above.

## MISCELLANEOUS

শ্ৰীপ্ৰেমধৰ বৰা ঃ— অধ্যক্ষ মহোদয়, মই এটা গুৰুত্বপূৰ্ণ কথা উল্লেখ কৰিব খুজিছো।

**Mr. Speaker**— It is not allowed now. You may raise it after 11.30.

শ্ৰীপ্ৰেমধৰ বৰা ঃ— এইটো বৰ জৰুৰী বিষয়।

**Mr. Speaker**— Please resume your seat, Mr. Bora, I have not allowed you to raise the matter now.

**Sri Premadhar Bora**— please now allow me to raise the question. The Minister concerned will reply later on.

**Mr. Speaker**— Mr. Bora, I am on my leg. Please sit down. This could be raised at 11.30. Whatever information you want you will get then.

**Sri Premadhar Bora**— I bow, down to your ruling. But I want an assurance from the Minister concerned—

## VOTING ON DEMANDS FOR GRANTS

**Mr. Speaker**— Now, Shri Mukut Sarma.

শ্ৰীমুকুত শৰ্মা ঃ— মাননীয় অধ্যক্ষ মহোদয়, বৰ্ত্তমান জনতা চৰকাৰে পুলিচ বাহিনীক যেনেকৈ ব্যৱহাৰ কৰিছে তাৰ এটা নমুনা দাঙি ধৰিম। যোৱা ১৪।৬।৭৮ তাৰিখত বিধান সভাৰ সন্মুখলৈ সদৌ অসম ছাত্ৰ সন্থাই মুখ্য মন্ত্ৰীৰ ওচৰত এখন স্মাৰকপত্ৰ

দাখিল কৰিবলৈ আহিছিল। সেই স্মাৰকপত্ৰ মুখ্য মন্ত্ৰীয়ে গ্ৰহণ নকৰিলে আৰু ছাত্ৰ সকলৰ ওপৰত পুলিচে অত্যাচাৰ কৰিলে—

—(অসম্ভৱ হুলস্থুল, সদনত কাৰো মাত কোনেও নুশুনা হয়)

* * * * * * * * *

* * * * * * * * *

* (Portion of the proceedings was expunged on the orders from the Chair)

**Mr. Speaker**— Please do not get excited so much; let the proceedings go on smoothly; I order that whatever happened during the last 5 minutes, crossing and counter-crossing; this should be expunged Let us bring order in the House so that the member can speak and if any hon. Member wants to say anything against him he will have chance to speak. So, let him not be interrupted so often. Suppose he says something wrong and unless he something deregotary....(noise....)

Order, Order, please; unless he says something deregotary he should be allowed to proceed.

Alright. Sri Mukut Sarma? If the hon. members do not allow the proceeding to go then I will have to adjourn the house.

**শ্ৰীমুকুত শৰ্মা ঃ** অধ্যক্ষ মহোদয়, সেইদিনাৰ ঘটনা নিশ্চয় এভইদ কৰিব পাৰিলেহেঁতেন যদি মুখ্য মন্ত্ৰীয়ে ছাত্ৰ সমাজক দেখা কৰি স্মাৰক পত্ৰ গ্ৰহণ কৰিলেহেঁতেন। যি কি নহওক, সেইদিনা পুলিচে এই কাৰণেই লাঠি চালনা কৰাৰ ফলত দুগৰাকী ছাত্ৰী আৰু এজন ছাত্ৰ এতিয়াও মেডিকেল কলেজত চিকিৎসাধীন হৈ আছে। মই আশা কৰিছো জনতা চৰকাৰে যাতে গণতান্ত্ৰিক আন্দোলন দমন কৰাৰ ক্ষেত্ৰত পুলিচ বাহিনী ব্যৱহাৰ নকৰে।

অধ্যক্ষ মহোদয়, পুলিচ বাহিনীক সমাজৰ নিৰাপত্তা আৰু সেৱাৰ ক্ষেত্ৰত এক বিশেষ ভূমিকা গ্ৰহণ কৰাব লাগিব। আজি জনসংখ্যা বৃদ্ধি হোৱাৰ লগে লগে, নতুন আৰু আধুনিক সমাজ হোৱাৰ লগে লগে আমাৰ দেশত অপৰাধৰ সংখ্যা দিনে দিনে বাঢ়ি গৈছে আৰু আমি দেখিবলৈ পাইছো এই অপৰাধ বিলাক নতুন ধৰণেৰে হব ধৰিছে। আজি অসমলৈ বহুত ধৰণৰ মানুহ আহিছে। আৰু সেই কাৰণেই অসমত নানান ধৰণৰ অপৰাধ সংঘটিত হব ধৰিছে। আমি দেখিছো অলপতে হৈ যোৱা বহাগী বিদায়ৰ সময়ত গুৱাহাটী নগৰৰ পৰা এখন এম্বেচাদৰ গাড়ী চুৰি কৰি লৈ গৈছে। এইদৰে গুৱাহাটী চহৰত আমি নানা ধৰণৰ অপৰাধ বাঢ়ি যোৱা দেখা পাইছো। গুৱাহাটীৰ বুকুৰে ভঙাগড়া অঞ্চলটো এখন অন্ধকাৰ জগতত পৰিণত হোৱা কথাটো এই বিধান সভাৰ মজিয়াত বহুতো আলোচনা কৰা হৈছে। মাননীয় সদস্য শ্ৰীনৰেণ দত্ত ডাঙৰীয়াই কেইটামান কথা এই বিষয়ত কৈছে যে পল্টন বজাৰৰ পুলিচ থানাৰ ওচৰত থকা কেইখনমান দোকান যেনে—মোটি মহল ৰেষ্টুৰেণ্ট আৰু খানচা ডি ড়কা বুলি এখন পাঞ্জাবী দোকান আছে। ৰূপশ্ৰী চিনেমা হলৰ ওচৰত থকা ৰেষ্টুৰেণ্ট বিলাকত মুকলিভাবে মদ বিক্ৰী হৈ আছে। পল্টন বজাৰৰ ওচৰত থকা মোটি মহল ৰেষ্টুৰেণ্টলৈ যদি ৰাতি ১০ বজাত কোনোৱা যায় তেন্তে অধ্যক্ষ মহোদয়, তাত দেখিবলৈ পাব যে মুকলি ভাবেই তাত মদ বিক্ৰী কৰা হয়। গতিকে গুৱাহাটী নগৰক যদি অপৰাধ মুক্ত কৰি নিৰ্মূল কৰিব বিচৰা হয় তেন্তে পুলিচ প্ৰশাসনটো জিলা প্ৰশাসনৰ পৰা বেলেগ কৰি আতৰাই নি এজন পুলিচ কমিচনাৰৰ হাতত দিব লাগে। বিভিন্ন জিলাত থকা পুলিচ থানা বিলাকৰ শাসন শক্তিশালী নোহোৱাৰ কাৰণে বহু ধৰণৰ অপৰাধ সংঘটিত হব লাগিছে। আজি আমি দেখিবলৈ পাইছো নগাওঁ জিলা লামডিং থানাৰ য'ৰ পৰা আমাৰ মাননীয় সদস্য বৰেণ মিশ্ৰ আহিছে সেই লামডিং থানা নগাওঁৰ পৰা প্ৰায় ৭০ মাইল দূৰ হব। এই ঠাইত

কেতিয়াবা কিবা এটা ঘটনা ঘটিলে চহৰৰ পৰা সহজে মানুহ গৈ নাপায়গৈ। সেই থানাত এজন এচ, আই, এজন এ, এচ, আই আৰু ১০ জন কনিষ্টবল আছে। এজনে যদি চুটী লৈ যায় দ্বিতীয়জন তাত থাকিবলৈ নাই। এই থানাটো শক্তিশালী কৰাৰ কথা চৰকাৰে নিজেই বিবেচনা কৰিব লাগিব। উত্তৰ প্ৰদেশৰ নিচিনা ঠাইত একোখন থানাত এশ-দেৰশ পুলিচ কনিষ্টৱল থাকে। সেইকাৰণে মই কওঁ আমাৰ থানাবিলাকো শক্তিশালী কৰিব লাগে।

আমাৰ যিটো পুলিচৰ বিভাগ আছে, সেইটোও শক্তিশালী নহয়। এই বিভাগটোলৈ যিসকল বিষয়া যায় তেওঁলোকে নিজকে পানিচমেণ্ট দিয়া বুলি ভাবি লয়। এই বিভাগটোলৈ যোৱাৰ লগে লগেই তেওঁলোক কেনেকৈ ওলাই আহিব পাৰে সেই চিন্তাত থাকে। সেই কাৰণে মই ভাবো এই বিভাগটো অধিক শক্তিশালী কৰিব লাগে। আৰু চৰকাৰ হলে এটা বেলেগ কেদাৰ কৰি বুদ্ধিয়ক (ইনটেলেকচুৱেল) মানুহ বিলাক নিয়োগ কৰিব লাগে। এই বিভাগটো শক্তিশালী কৰাৰ কথা মই এই কাৰণেই কৈছো যে অসম প্ৰদেশখন এখন সীমামুৰীয়া প্ৰদেশ হোৱাৰ কাৰণে যাতে বিভিন্ন ধৰণৰ মানুহৰ ঘাটি হব নোৱাৰে তাৰ ব্যৱস্থা কৰা।

অধ্যক্ষ মহোদয়, মই আৰু এটা কথা আপোনাৰ ওপৰত দাঙি ধৰিব খুজিছো সেইটো হৈছে ১৩ জুন তাৰিখৰ পেট্ৰিয়ট কাগজত এটা নিউজ প্ৰকাশ পাইছে।

U. S. 'Research' Operations :— A circular sent by the United States Information Service in New Delhi to its counterpart in Calcutta sometime ago shows how the American operate in this country. The Circular is marked 'limited official, use'. It also bears the mark : 'US' Government Printing Office : 1959-519978. The subject is—"project Brahmaputra on behalf of SORO in East India."

চাৰ, চৰকুলাৰখনত লিখা হৈছে —

"With the agreement of the State Department, the Special Operations Research Office (SORO) of the George Washington University has asked the US outfit in India for help in conducting sociological research in the Eastern States of India, including Sikkim as well as Bhutan. The aim of this research is to throw light on public opinion in these regions to establish in what measure the present status.

The present status of these States remains acceptable or whether there are indications that the formation of a new State is a current problem.

Local Agencies :— For the conduct of this work, it is necessary to mobolise the whole personnel (in the area) working in the States of West Bengal, Assam and Tripura."

**Mr. Speaker :**— What for the hon. member referring to this News paper ?

শ্ৰীমুকুত শৰ্মা ঃ— অধ্যক্ষ মহোদয়, আমাৰ এই গুপ্তচৰ বিভাগটো শক্তিশালী হব লাগে যাতে অসম ৰাজ্যখন বিভিন্ন ৰাষ্ট্ৰৰ লোকৰ লীলাভূমিত পৰিণত নহয়। সেই কাৰণে মই এই কথাটো ইয়াত ৰেফাৰ কৰিছে।

**Mr. Speaker :**— This matter relates to foreign countries. Please donot mention it.

শ্ৰীভবেন্দ্ৰ শইকীয়া ঃ— অধ্যক্ষ মহোদয়, এইটো ইয়াৰ লগত সঙ্গতি নথকা কথা উত্থাপন কৰা হৈছে।

শ্ৰীমুকুট শৰ্মা ঃ— অসমৰ কথা ইয়াত বিশেষকৈ উল্লেখ কৰিছে, সেই কাৰণেই মই ইয়াত উল্লেখ কৰিছো।

মাননীয় অধ্যক্ষ ঃ— এইবিলাক কথা ইয়াত তোলাটো অনুচিত।

শ্ৰীমুকুত শৰ্মা ঃ— অসমৰ কথা ইয়াত বিশেষভাবে উল্লেখ কৰা আছে।

শ্ৰীনূৰুল হুদা ঃ— অধ্যক্ষ মহোদয়, বিদেশী কোন শক্তির কার্যাকলাপ সম্পৰ্কে নিশ্চয়ই কোন সদস্য আলোচনা করতে পারেন। যদি কোন সংবাদ পত্রের সংবাদে প্রকাশিত হয় যে এই রাজ্যেও সেই

ধরনের কার্য্যকলাপ চলে তাহলে নিশ্চয়ই সদস্যগণ সেটা উল্লেখ করতে পারেন।

**Sri Ranendra Narayan Basumatary** :—He is simply quoting from Newspaper.

শ্ৰীমুকুট শৰ্ম্মা ঃ— অধ্যক্ষ মহোদয়, আজি আমাৰ যিমান বিলাক পুলিচ বিভাগ আছে তেওঁলোকৰ নানা সমস্যা আছে। বিশেষকৈ আমি দেখিবলৈ পাইছো যে যি সকল তলৰ খাপৰ কৰ্মচাৰী যেনে কনিষ্টবল, হাবিলদাৰ, এ এচ আই, এচ আই এই সকলৰ সমস্যা বেচি আছে। মই নগাওঁ জিলাৰ কথা ডাঙি ধৰিব বিচাৰিছো। নগাওঁ জিলাত কনিষ্টবল শতকৰা ১১ জনে ঘৰ পাইছে বাকী শতকৰা ৮৯ জনে ঘৰ পোৱা নাই। এইদৰে ঘৰ ভাড়া কৰি থকা কনিস্তবল সকল মাজে মাজে ঘৰলৈ গৈ পৰিয়াল বৰ্গৰ লগত দেখা কৰি আহেগৈ। এই দৰে যাবলগীয়া হোৱাৰ কাৰণে তেওঁলোক মাজে মাজে ২।৩ দিন কামৰ পৰা অনুপস্থিত থাকিব লগীয়া হয়। কিন্তু আমি দেখিবলৈ পাইছো যে এইদৰে ঘৰলৈ গৈ কনিষ্টবল সকলে দুইদিন মান দেৰি কৰিলেই তেওঁলোকৰ ওপৰত শাস্তিমূলক ব্যৱস্থা লোৱা হয়। আনকি কামৰ পৰা বহিষ্কাৰ কৰি দিয়াও আমি দেখিবলৈ পাইছো। আজি হাবিলদাৰ সকলৰ শতকৰা ৭ জনৰ থাকিবলৈ ঘৰ আছে বাকী সকলৰ থাকিবলৈ ঘৰ নাই। এই গুৱাহাটী নগৰতে এ এচ আই আৰু এচ আই সকল থকাৰ কাৰণে যি বিলাক ঘৰ নিৰ্ম্মাণ কৰা হৈছিল সেই বিলাকত উচ্চ খাপৰ বিষয়াই দখল কৰি থকাৰ কাৰণে, সেই অফিচাৰ সকল অন্যান্য ঠাইত ঘৰ ভাড়া কৰি থাকিবলগীয়া হৈছে। গতিকে মই এই বিষয়ত চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো। বিশেষকৈ আমাৰ কনিষ্টবল সকলৰ যিটো ঘৰৰ সমস্যা সেই সমস্যাটোৰ প্ৰতি চৰকাৰে দৃষ্টি দিয়ে। এই খিনিতে আৰু এটা কথা হৈছে সেইটো হৈছে কনিষ্টবল সকলৰ কাৰণে ৰেচনৰ ব্যৱস্থা আছে। যি সকল বেটেলিয়নত থাকে সেই

সকলে পূৰা ৰেচন পায়, কিন্তু যি সকল অনান্য জিলাত থাকে তেওঁলোকে হাফ ৰেচন পায়। গতিকে ৰেচনৰ ক্ষেত্ৰত বেটেলিয়নৰ পুলিচ আৰু জিলাৰ পুলিচৰ মাজত যিটো প্ৰাৰ্থক্য আছে সেই প্ৰাৰ্থক্য দূৰ কৰি সকলোকে সমান ভাবে ৰেচন দিয়াৰ ব্যৱস্থা কৰিব লাগে।

অধ্যক্ষ মহোদয়, আজি পুলিচ আৰু আমাৰ সাধাৰণ মানুহৰ মাজত যিটো সম্বন্ধ সেই সম্বন্ধ মধুৰ কৰিব লাগে। এই ক্ষেত্ৰত মই এইটো কথা উদাহৰণ স্বৰূপে ডাঙি ধৰিব খুজিছো যে ৫ম আৰু ১০ ম অসম পুলিচ বেটেলিয়নে অসমৰ সাংস্কৃতিক ক্ষেত্ৰত বিৰাট অৰিহনা যোগাই আহিছে। তেওঁলোকৰ যিটো বিহু দল সেই দলটোৱে অসমৰ সাংস্কৃতিক জগতত আলোড়নৰ সৃষ্টি কৰিছে। মই ভাবো এই দৰেই সাংস্কৃতিক আদি অনুস্থানৰ দিশেদি তেওঁলোকৰ লগত আমাৰ বাইজৰ সম্পৰ্ক মধুৰ হোৱাটোকে আমি বাঞ্চা কৰো। ইয়াৰ লগতে অসম পুলিচৰ যিটো ফুট বল দল এই দলেও এটা অভিলেখৰ প্ৰতিস্থা কৰিছে। অসম পুলিচ ফুটবল দলটোৱে যাতে আমাৰ অসমৰ সন্মান অক্ষুন্ন ৰাখিব পাৰে তাৰ কাৰণে উপযুক্ত প্ৰশিক্ষক দি প্ৰশিক্ষন দিওৱাৰ ব্যৱস্থা কৰিব লাগে।

অধ্যক্ষ মহোদয়, আমাৰ পুলিচ সকলৰ যি বিলাক সমস্যাৰ কথা কলো তেওঁলোকৰ সেই সমস্যা বিলাক দূৰ কৰি তেওঁলোক যে আমাৰ দেশৰেই নাগৰিক সেই হিচাবে নিজকেই ভাবিব পাৰে আৰু আমাৰ দেশৰ কাৰণে চিন্তা কৰিব পাৰে তাৰ কাৰণে মই মুখ্য মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। তলৰ যি সকল কনিষ্টবল আছে সেই সকলৰ সমস্যা সমাধান কৰাত অগ্ৰাধিকাৰ দিব লাগে। আৰু এটা কথা আজি যি সকল পুলিচ ইন্সপেক্টৰ আছে তেখেত সকলে যথেষ্ট কাম কৰিব লাগে কিন্তু তেওঁলোকক সেই ভাবে মৰ্য্যদা দিয়া হোৱা নাই। মই ভাবো যে পুলিচ ইন্সপেক্টৰ সকলক গেজেটেড কৰিব লাগে। অনান্য ক্ষেত্ৰত আমি দেখিছো যেনে চেল-

টেক্স ইন্সপেক্টৰ বিলাক গেজেটেড কৰি দিছে। কিন্তু পুলিচ ইন্সপেক্টৰ সকলক গেজেটেড কৰি দিয়া নাই। এই সম্পৰ্কত মই চৰকাৰক বিবেচনা কৰিবলৈ পৰামৰ্শ দি মই এই খিনিকে কৈ মোৰ কৰ্ত্তণ প্ৰস্তাবটো উত্থাপন কৰিলো।

শ্ৰীদেবানন্দ বৰা :— অধ্যক্ষ মহোদয়, পুলিচ সম্পৰ্কে কবলৈ গলে আমাৰ মনত দুটা প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। এটা হ'ল ভয় আৰু আনটো হ'ল ঘৃণাৰ পতিক্ৰিয়া। বৃটিছৰ দিনৰে পৰা আৰু ৩০ বছৰীয়া কংগ্ৰেছ ৰাজত্বত পুলিচ বিষয়া বা কৰ্মচাৰী সকলে ৰাইজ বা জনসাধাৰণৰ প্ৰতি যিটো ব্যৱহাৰ কৰি আহিছে, সেই কথা কলে সকলো মানুহৰেই এনেকুৱা প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। আমাৰ এই পুলিচ বাহিনী ৰখা হৈছে সাধাৰণতে দেশত শান্তি ৰক্ষাৰ কাৰণে বা বিদেশীৰ হাতৰ পৰা আমাৰ দেশখনক ৰক্ষা কৰাত সহায়ৰ কাৰণে। বিগত কংগ্ৰেছ শাসনত বা বৃটিছৰ দিনৰে পৰা পুলিচ বাহিনীয়ে দেশৰ জনসাধাৰণৰ প্ৰতি যেনে ধৰণে চিন্তা কৰিব লাগিছিল, কিন্তু আজি তাৰ বিপৰীতে কাম কৰাৰ কাৰণে এনেধৰণৰ প্ৰতিক্ৰিয়া জনসাধাৰণৰ মাজত সৃষ্টি হৈছে। এই কাৰণেই ধাৰণা হয় যে পুলিচ বিষয়া বা পুলিচ কৰ্মচাৰী দেখিলে আমাৰ গাওঁৰ মানুহে ভয় কৰে, গাওঁৰ ল'ৰা-ছোৱালীয়ে আলি-পদূলিত দুই তিনিটা ৰঙা পাগৰি পিন্ধা পুলিচ দেখিলেই ভয়ত পলাই যায়। অকল ল'ৰা ছোৱালীয়েই নহয় বয়সস্থ মানুহেও পুলিচ দেখিলে পলাই যোৱাৰ নমুনা আছে। এইটো এই কাৰণেই হৈছে যে পুলিচে সদায় সাধাৰণ মানুহৰ ওপৰত অবিচাৰ কৰিছিল, অন্যায় কৰিছিল আৰু পুলিচ সকল তেখেতসকলৰ অন্যায় লাভৰ কাৰণে সদায় দুৰ্নীতিৰ প্ৰশ্ৰয় লৈছিল। উদাহৰণ স্বৰূপে কৰবাত কোনোবাই মোকদ্দমা ৰুজু কৰে তেন্তে গোচৰীয়াই গোচৰ ৰুজু কৰিবলৈ আহিলেই টকা দিব লাগে নহলে গোচৰ ৰুজু কৰা নহয়। তেনেকৈয়ে যিবিলাক পদকীয়া পুলিচৰ পৰা অব্যাহতি পাবলৈ আহে তেওঁলোকেও পইচা ঘোচ দিব লাগে। এনে

ধৰণে পদকীয়, গোচৰীয়া সকলোৱে পুলিচক ঘোচ দিবলগীয়া হোৱাৰ ফলত ব্যাপক ভাবে দুৰ্নীতি হব লাগিছে। যিসকল আদালত কাছাৰীৰ লগত লেন-দেন আছে সেই সকলে এইবিলাক কথা জানে, যি সকলৰ পুলিচৰ লগত লেন-দেন আছে সেই সকলেও এই কথা জানে। আনকি পুলিচে পুলিচৰ মাজতো দুৰ্নীতি চলাই আছে। যিবিলাক ল'ৰা নতুনকৈ ট্ৰেনিঙলৈ আহে তেওঁলোকে চুলি কাটিব লাগে। যদি চুলি নাকাটে তাৰ কাৰণে শাস্তি দিয়া হয়। কিন্তু হাবিলদাৰক ৫ টকা দিলে এক সপ্তাহলৈ চুলি নকটাকৈ থাকিব পাৰি। শ্ৰীমুকুট শৰ্মা ডাঙৰীয়াই এটা কথা উল্লেখ কৰি গৈছে যে আজি নগৰ চহৰ বিলাকত দোকানে দোকানে মদ বিক্ৰি হৈ থাকে আৰু পুলিচেও তাত মদ খাই, আৰু পইচাও লৈ আছে। এইটো কথা সচাঁ। কাছাৰীৰ পুলিচ সকল ইমান দুৰ্নীতি পৰায়ণ যে তেওঁলোকে কোনোদিনে নিজৰ পইচা খৰচ নকৰাকৈ বজাৰ কৰি চাল আছে।

মোৰ কাছাৰিৰ ২০ বছৰৰ অভিজ্ঞতাৰ পৰা এই কথা কৈছো। উচ্চ পৰ্য্যায়ৰ অফিচাৰৰ পৰা জিলা পৰ্য্যায়ৰ পুলিচ অফিচাৰলৈ কোনেও নিজৰ পইচাৰে বজাৰ নকৰে। কাছাৰীত যিবিলাক গোচৰ অভিযোগ পত্ৰ দিয়া নাই. সেইবিলাক গোচৰত পদকীয় সকল ১৫ দিনৰ মুৰে মুৰে কাছাৰীত হাজিৰ হবলগীয়া হয়। সেইবিলাক গোচৰত যিবিলাক পুলিচে হাজিৰা দিয়ে তেওঁলোকক এজনে কমেও দহ টকা দিব লাগে। ৫০ টা গোচৰ থাকিলে ১০০ টকা হয়। এই ধাৰণে টকা যোগাৰ কৰে জামিনৰ বিৰোধিতা কৰিবৰ কাৰণে অভিযোগ পৰিদৰ্শকক দিয়া ক্ষমতা বাতিল কৰা হৈছে, বৰ্ত্তমান এই ক্ষমতা উকীলক দিয়া হৈছে। জামিনত দিবৰ কাৰণে দৰ্খাস্ত দিওঁতে পুলিচ অফিচাৰে টকা লোৱাৰ দৃষ্টান্ত আছে। এই ব্যৱস্থাটোত সম্পূৰ্ণভাৱে দুৰ্নীতি চলি আছে। দুৰ্নীতিৰ পৰা উদ্ধাৰ কৰিবৰ কাৰণে নিশ্চয় অস্ত্ৰ ব্যৱহাৰ কৰিব লাগিব। যেতিয়ালৈকে

দুৰ্নীতি পৰায়ণ পুলিচ বিষয়াক আঁতৰ কৰিব নোৱাৰে তেতিয়া-লৈকে পুলিচ বিভাগৰ প্ৰতি থকা জনসাধাৰণৰ মাজত মধুৰ সম্পৰ্ক হ'ব নোৱাৰে। পুলিচ বিভাগটো পুণৰ সংগঠন কৰাৰ আগতে সেই সকলৰ মাজত থকা দুৰ্নীতি গুচাব নোৱাৰিব তেন্তে সেইটো এটা ডাঙৰ সমস্যা বুলি বিবেচনা কৰো। জনতা চৰকাৰে যদি পুলিচ কৰ্ম্মচাৰী সকলৰ মাজৰ পৰা দুৰ্নীতি আঁতৰ কৰিব পাৰে তেতিয়াহলে প্ৰশাসন নিকা হ'ব। নিকা প্ৰশাসনৰ যোগেদি দেশৰ শান্তি ৰক্ষাৰ কাৰণে পুলিচক পোৱা হ'ব। শ্ৰীমুকুট শৰ্ম্মাই এটা কথা ঠিকেই কৈছে আৰু তাত মই একমত যে পুলিচ কনিষ্টবল বা তলৰ কৰ্ম্মচাৰী সকলৰ দৰ্ম্মহা কম। সেই সকল থকা ঘৰৰ ব্যৱস্থা যি ধৰণে পাব লাগে, চলা-ফুৰাৰ কাৰণে যি খিনি সুবিধা পাব লাগে সেইখিনি নেপাই। দিয়াৰ ব্যৱস্থা নিশ্চয় কৰিব লাগিব। মই জনাত পুলিচ কনিষ্টবল সকলক পুলিচ বিষয়াই ঘৰুৱা কামত ব্যৱহাৰ কৰে। সেই সকল কনিষ্টবলক ঘৰুৱা চাকৰ বাকৰৰ কামত লগোৱাৰ দৃষ্টান্ত আছে। ইয়াৰ কাৰণ পুলিচ কৰ্ম্মচাৰী সকলৰ মাজত অসন্তোষ দেখা যায়। জুৱা-খেল, চুৰি, ডকাইতি আদিৰ লগত আমাৰ পুলিচ বিষয়া সকলৰ সংখ্যা আছে। তেওঁলোকৰ পৃষ্ঠাপোষকতাত জুৱা খেল হয়। জুৱা খেলৰ তাৰ এটা অংশ মাহেকত বা সপ্তাহত পুলিচক দিয়াৰ ব্যৱস্থা চলি আছে। আমাৰ চৰকাৰ সেই ক্ষেত্ৰত নিশ্চয় সাবধান হব লাগিব। বিভিন্ন ধৰণৰ যি বিলাক গোচৰ ৰজু কৰা হয় সেই বিলাকৰ অভিযোগ পত্ৰ সময়ত দিয়া নহয়। হাজাৰ হাজাৰ গোচৰ অভিযোগ পত্ৰ নোহোৱাকৈ মাহৰ পিছত মাহ পৰি আছে। এই অভিযোগ পত্ৰ দাখিল নকৰাকৈ থাকিলে পক্ষৰ পৰা টকা আদায় আদায় কৰিব পাৰে। লগে লগে দুৰ্নীতি অব্যাহত ৰাখিবৰ কাৰণে সুবিধা পায়। সেই কাৰণে অভি-যোগ পত্ৰ সমূহ কাচাৰীত দাখিল কৰা নহয়। আমাৰ সাধাৰণ মানুহে মাহৰ পিছত মাহ ধৰি বিনা কাৰণত আদালতত অহা যোৱা কৰি থাকিব লগীয়া হয়। ১৯৭৩ চনৰ নতুন

ফৌজদাৰী আইন মতে যিকোনো গোচৰৰ অভিযোগ পত্ৰ ৬০ দিনৰ ভিতৰত দাখিল কৰিব লাগে। এই নতুন আইন কৰা হল, কিন্তু আগৰ দৰেই হেমাহি চলি আছে। ৬০ দিনৰ ভিতৰত কোনো গোচৰৰ অভিযোগ পত্ৰ দাখিল কৰা নাই। ইচ্ছা কৰিলে ৫০ টা গোচৰৰ অভিযোগ পত্ৰ ৬০ দিনৰ ভিতৰত দাখিল কৰিব পাৰে। পুলিচৰ দুৰ্নীতিত ক্ষতি হোৱাৰ কাৰণে এইবোৰ দাখিল নকৰে। এই অভিযোগ পত্ৰ সমূহ দাখিল নকৰাৰ ফলত ডাঙৰ গোচৰ যেনে ৩০২ — ধাৰাৰ হত্যাকাণ্ডৰ গোচৰ যিটোত মৃত্যুদণ্ড পৰ্য্যন্ত হব পাৰে, তেনে গোচৰবো অভিযোগ পত্ৰ দাখিল নকৰাৰ কাৰণে নতুন আইনমতে ৬০ দিনৰ পিছত জামিনত দিব লাগে। আদালতত ৬০ দিনৰ পিচত হত্যাৰ গোচৰ হলেও জামিন দিয়াৰ বাহিৰে বিকল্প ব্যৱস্থা নাই। এইদৰে হত্যাকাৰী জামিনত ওলাই গৈ সাক্ষীক ভিত্তি প্ৰদৰ্শন আদি কৰে। এই ধৰণৰ বিসঙ্গতি আজি পুলিচ বিভাগত হৈছে। গতিকে এই গোটেইবিলাক আতৰাই পুলিচ বিভাগটো পূৰ্ণ ভাবে সংগঠণ কৰিব লাগিব। দেশত শান্তি বিৰাজ কৰিবৰ কাৰণে সাধাৰণ মানুহৰ মাজত যি ভয় আৰু ঘৃণাৰ ভাব আছে তাক আতৰ কৰিব পাৰিব লাগিব। শান্তিৰ পথত দেশখনক আগবঢ়াই লৈ যোৱাত যাতে পুলিচবহিনীয়ে সহায় কৰিব পাৰে তেনে ধৰণে আমি পুলিচ বাহিনীক গঢ়ি তুলিবৰ কাৰণে কাৰ্য্যপন্থা গ্ৰহণ কৰিব লাগিব। তেতিয়াহলে আমাৰ দেশৰ পুলিচৰ যিটো বদনাম আছে তাৰ পৰা হাত সাৰিব পৰা যাব। শ্ৰীমুকুট শৰ্মাৰ লগত এটা কথাত একমত যে পুলিচে গণতান্ত্ৰিক আন্দোলনত অত্যাচাৰ চলায়। যোৱা ৩০ বছৰে এনেধৰণৰ পুলিচ অত্যাচাৰৰ বিৰোধিতা কৰি আহিছো আৰু এতিয়াও পুলিচে গণতান্ত্ৰিক আন্দোলনত তেনে ধৰণৰ অত্যাচাৰ কৰিলে তাৰ বিৰোধিতা কৰিম। পুলিচে যদি গণতান্ত্ৰিক আন্দোলনক বাধা দিয়ে, অত্যাচাৰ কৰে সেই সম্পৰ্কত বিহিত ব্যৱস্থা লব লাগিব

আৰু তাৰ বাবে দোষী সকলৰ শাস্তিৰ ব্যৱস্থা হব লাগিব। চৰকাৰৰ অজ্ঞতাত পুলিছে তেনে ধৰণৰ অত্যাচাৰ কৰিব পাৰে, কিন্তু তেনে ক্ষেত্ৰতো যাতে পুলিচ বিষয়াই শাস্তি পায় তাৰ ব্যৱস্থা কৰিব লাগিব। জনতা চৰকাৰে এইটো নীতি হিচাবে লৈ শাস্তি বিহাৰ ব্যৱস্থা কৰিব লাগিব। শ্ৰীমিশ্ৰ ডাঙৰীয়াই বক্তৃতাত উল্লেখ কৰিছিল বিগত বছৰ কেইটাত শ্ৰমিক আন্দোলনক দমন কৰিবৰ কাৰণেও পুলিচক ব্যৱহাৰ কৰা হৈছিল। আনকি বাগান সমূহৰ পৰা চান্দা তুলিবৰ কাৰণেও পুলিচক ব্যৱহাৰ কৰা দৃষ্টান্ত আছে।

যোৱা বছৰ যোৰহাটৰ হাতীগড় বাগানত দুখন ইউনিয়নৰ মাজত কাজিয়া হৈছিল। মই জনাত চাহ মজুদৰ সংঘৰ টকা তুলিবৰ কাৰণে দি, চিৰ সহায় লৈ টকা তোলাৰো উদাহৰণ আছে। তেনে ধৰণৰ ব্যৱহাৰৰ দৃষ্টান্ত অনেক আছে। সেই কাৰণে যিবিলাক গণতান্ত্ৰিক আন্দোলন, বা ট্ৰেড্ ইউনিয়ন আন্দোলন সেইবিলাকত যাতে পুলিচ ব্যৱহাৰ নহয় তাৰ কাৰণে জনতা চৰকাৰে স্পষ্টভাৱে ব্যৱস্থা কৰিব বুলি আশা কৰিলোঁ। ইয়াৰোপৰি আন ধৰণৰ গণতান্ত্ৰিক শান্তিপূৰ্ণ আন্দোলন বা অন্যান্য ধৰণৰ শ্ৰমিক আন্দোলনত যাতে পুলিচৰ ব্যৱহাৰ নহয়, সেইকাৰণে প্ৰশাসনীয় নিৰ্দ্দেশ দিব বুলি আশা কৰিলো। পুলিচৰ যিখিনি খেলি-মেলি আছে সেইখিনি নিশ্চয় ভাল কৰিব পৰা হব। পুলিচৰ ওপৰত দেশৰ শান্তি ৰক্ষাৰ দায়িত্ব আছে। আমি আশা কৰিছো কেনে ধৰণৰ ব্যৱস্থা কৰিলে আমাৰ দেশৰ বৰ্ত্তমান অৱস্থাত থকা পুলিচ বিভাগ ভাল হয় তাৰ কথা চিন্তা কৰি জনতা চৰকাৰে নিশ্চয় ইয়াৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। এইখিনিকে কৈ মই মোৰ বক্তব্য সামৰণি মাৰিলোঁ।

**Mr. Speaker** :—From your side whether Honourable Member Akram Hussain will speak or honourable member Sri Nepal Das will speak ?

* এ, এন, আক্ৰাম হুচেইন ঃ— মাননীয় অধ্যক্ষ মহোদয়, আমাৰ দেশৰ শান্তি ৰক্ষা আৰু আইন শৃংখলা ৰক্ষা কৰি জনসাধাৰণৰ মাজত আস্থা ভাজন হবলৈ পুলিচ বিভাগে যথেষ্ট চেষ্টা কৰিব লাগিব। মই ভাবো যে, এইটো পুলিচ বিভাগৰ কৰ্ত্তব্যৰ ভিতৰতে পৰে। যাতে সমাজৰ এটা অংগ হিচাবে পুলিচে নিজকে পৰিচয় দিব পাৰে তাৰ বাবে নিজকে এটা সমাজৰ সেৱাৰ বাবে নিজকে এটা সেৱাৰ অনুস্থান হিচাবে ধৰি লব লাগে। এইখিনিতে মই এটা কথা কবলৈ বিচাৰিছো যে, অৱশ্যে ছাত্ৰ সকলৰ ওপৰত কেনেকৈ জুলুম হৈছে সেই সম্পৰ্কত মই কবলৈ বিচৰা নাই কাৰণ এই প্ৰসংগত কলেই হৈ চৈ আহি পৰিব। গতিকে ছাত্ৰসকল বিধান সভাৰ গেটলৈ অহাৰ কথা আমাৰ সকলোৱে জানে। কিন্তু যিবিলাক আহত হল, সেইবিলাকৰ কাৰণে মোৰ মনত তেওঁলোকৰ প্ৰতি বেদনা আছে। এইখিনিতে এটা প্ৰশ্ন আহে যে, আমি কিয় আমাৰ ছাত্ৰ সকলক অকনমান শান্তনা দিয়াৰ কাৰণে ভীতিগ্ৰস্ত হব লাগে। যদি আমাৰ মুখ্য মন্ত্ৰী ওলাই গৈ স্মাৰকপত্ৰ খন ললে হয়, বোধহয় এনেকুৱা ত্তুভাগ্যজনক ঘটনাৰ সৃষ্টি নহল হয়। সেই কাৰণেই মোৰ মনত ত্তুখ থাকিল। এতেকে অধ্যক্ষ মহোদয়, এইখিনিতে প্ৰশ্ন হৈছে, আমাৰ অসমৰ পুলিচ বিভাগটো অন্য ৰাজ্যৰ তুলনাত মান্ধতা যুগতে আছে। অন্য ৰাজ্যৰ দৰে আমাৰ ৰাজ্যৰ পুলিচ বাহিনী আগবাঢ়িব পৰা নাই। এতিয়া প্ৰশ্ন হ'ল এইটো যে যদি আমি পুলিচ বাহিনীৰ পৰা দক্ষতা বিচাৰো, তেওঁলোকক সেইখিনি সুযোগ সুবিধা দিব পাৰিব লাগিব।

অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে চৰকাৰক অনুৰোধ কৰিছো যে আমাৰ বাজেটত যি ২০ কোটি টকা ধৰা হৈছে সেই ২০ কোটি টকা কেনেকৈ কত কত খৰচ হব, কেনেকৈ ব্যৱহাৰ কৰিব তাৰ বিষয়ে আমাৰ মাননীয় সদস্য মিশ্ৰ ডাঙৰীয়াই ভালকৈ

* Speech not corrected

উল্লেখ কৰিছে। আৰু পুলিচে কৰা মৰ্ম্মান্তিক ঘটনাৰ কথা উল্লেখ কৰিছে। এতেকে এই ২০ কোটি টকা আমি এনেদৰে ব্যৱহাৰ কৰিব লাগিব যাতে অন্ততঃ তলৰ কনিষ্টবল বিলাকক আগৰ দৰে এৰেকটা বেৰেকতে ৩০।৪০ জনকৈ নাৰাখি মানুহৰ দৰে বসবাস কৰিবলৈ থকা খোৱাৰ ব্যৱস্থা কৰি দিয়া হয়। আৰু কনিষ্টবল সকলৰ দৰমহা পুনৰ বিবেচনা কৰিব লাগে। যি সকল কনিষ্টবলৰ পৰিবাৰ বৰ্গ আছে সেই সকলেও যাতে দেশ সেৱা কৰিবলৈ আহোতে নিজৰ পৰিবাৰ বৰ্গক লগত আনি ৰাখিব পাৰে তাৰ কাৰণে থানাৰ কেমপাচতে ঘৰৰ ব্যৱস্থা কৰি দিব লাগে। এই কনিষ্টবল সকলৰ সম্পৰ্কত মই এটা কথা উনুকিয়াব বিচাৰো যে, পুলিচ বিভাগত যিবিলাক ড্ৰাইভাব আছে, তেওঁলোকৰ কামৰ কোনো হিচাব নাই, দিনে ৰাতিয়ে কাম কৰি থাকে। আনহাতে এই সুযোগতে মই আৰু এটা কথা কবলৈ বিচাৰো যে, আমাৰ যিবিলাক পুল কাৰ ড্ৰাইভাৰ আছে তেওঁলোকৰ ক্ষেত্ৰত ৮ ঘণ্টাতকৈ বেছি কাম কৰিলে যাতে ভাট্টা দিয়া হয় তাৰ ব্যৱস্থা আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে কৰিব লাগে। তেওঁলোকক শোষণ কৰা নীতি আজিলৈকে আমি প্ৰত্যাহাৰ কৰিব পৰা নাই। আমি এইটো অতি চিন্তা কৰিবলগীয়া কথা।

*শ্ৰীভবেন্দ্ৰ নাথ শইকীয়া ঃ— অধ্যক্ষ মহোদয়, পুল কাৰৰ ড্ৰাইভাৰ পুলিচ বিভাগৰ কৰ্ম্মচাৰী সকলৰ ভিতৰত পৰেনেকি ? এইটো কথা মাননীয় সদস্য জনে পৰিস্কাৰ কৰি দিলে ভাল হয়।

* এ, এন আক্ৰাম হোচেইন ঃ — অধ্যক্ষ মহোদয়, মই আগতেই কৈছো যে, এই সুযোগতে মই আৰু এটা কথাৰ দৃষ্টি আকৰ্ষণ কৰিছো। পুলিচ বিভাগৰ খেলাৰ ক্ষেত্ৰত যি সা-সুবিধা আৰু সাংস্কৃতিক অনুস্থান আদিৰ ক্ষেত্ৰত পুলিচক নিশ্চয় সকলো ক্ষেত্ৰতে সহায় কৰিব লাগিব। পুলিচৰ বাবে আজি য'ত য'ত দুৰ্ঘটনা হৈছে বা পুলিচে বেয়া কাম কৰিছে সেই সম্পৰ্কে

* Speech not corrected

মই ইয়াৰ লগতে অলপ উন্নুকিয়াব খুজিছো। কালি মাননীয় সদস্য শ্ৰীমিশ্ৰ ডাঙৰীয়াই কৈছে আৰু তাৰ লগতে ময়ো কব খুজিছো যে আমাৰ কামৰূপৰ মোকালমুৱা গাঁৱত পুলিচৰ এখন থানা আছে। মুকালমুৱা গাওঁ বৰক্ষেত্ৰী সমষ্টিত পৰে আৰু তাৰ পৰাই আমাৰ উপাধ্যক্ষ মহোদয় নিৰ্ব্বাচিত হৈ আহিছে। তাৰ ভোগাগাৱত ৬ তাৰিখৰ পৰা ১৪৪ ধাৰা চলি আছে। ১৪৪ ধাৰা হোৱাৰ কাৰণে অসুবিধা হৈছে। ইয়াৰউপৰি সেই গাওঁখনত মানুহৰ মাজত ইমান মিলাপ্ৰীতি যে সেই গাঁৱৰ মুচলমান মানুহে হিন্দু সকলৰ গোসাঁইঘৰ নথকাৰ বাবে গোসাঁইঘৰ পাতিবৰ বাবে ১০ বিঘা মাটি দান দিলে। এনেকুৱা মিলাপ্ৰীতি ভাৰতবৰ্ষত আছেনে নাই এই বিষয়ত মোৰ সন্দেহ আছে। কিন্তু অসমত আছে। গতিকে ভোগা অঞ্চলত যি ১৪৪ ধাৰা এতিয়াও চলি আছে এই সম্পৰ্কে মই এটা কথা কব বিচাৰিছো।

*শ্ৰীগোলাপ বৰবৰা (মুখ্য মন্ত্ৰী):— মুকালমুৱা অঞ্চলত সকলো মানুহৰ মাজতে সম্প্ৰিতি আছে। এইটো বৰ ভাল কথা। অকনমান ঘটনা এটা লৈ তাত যি হৈছে সেই বাবে আমাৰ চৰকাৰৰ ফালৰ পৰা সকলো ধৰণৰ আৱশ্যকীয় ব্যৱস্থা লোৱা হৈছে আৰু বেচি আলোচনা নকৰি তাৰ পৰিস্থিতিটো আমাক ভালকৈ ৰখাত সহায় কৰে তাৰ কাৰণে অনুৰোধ কৰিলো।

**Sri Giasuddin Ahmed** :—Mr. Speaker, Sir, it is of course a volunary matter. Honourable members may voluntarily refrain from discussing a matter which may be a cause of tension. But Sir, we are discussing a demand on police and the law and order situation is involved in it. So I think, perhaps, according to rules no member can be restrained from speaking anything about law and order situation under this head. Anyway the suggestion put forward by the Honourable Chief Minister is praise worthy no doubt.

* Speech not corrected

*শ্ৰীএ, এন, আক্ৰম হুছেইন ঃ— মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াই জনোৱা আহ্বানটোৰ প্ৰতি মই সন্মান জনাই মানি লৈছোঁ । মই আগতেই কৈছো যে, সেই গাওঁখন ভাৰতবৰ্ষৰ ভিতৰতেই এখন বৰ ভাল গাওঁ। তাত এনেকুৱা এটা পৰিস্থিতি কেনেকৈ হবলৈ পালে ? ইয়াৰ প্ৰতি মই আমাৰ মাননীয় মুখ্য মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিছোঁ। ইয়াৰ কাৰণে কোনো সম্প্ৰদায়েই দায়ী নহয়। এই অপ্ৰীতিকৰ পৰিস্থিতিৰ কাৰণে সকলো সম্প্ৰদায়েই মনত আঘাত পাইছে। তাত তিনিটা মছজিদ আছে। তিনিওতাতে শুকুৰবাৰৰ দিনা জুম্মা নামাজ পঢ়া হয়। তাৰে এটা মছজিদত ৪০০ মান মানুহ আৰু আন এটাত প্ৰায় ডুশমান লোকে একেলগে বহি নামাজ পঢ়িব পাৰে। কিন্তু অধ্যক্ষ মহোদয়, আপুনি শুনি আচৰিত হব যে, তাত যোৱা শুক্ৰবাৰে এজনো মুছলমান লোক নাই । যি জুম্মা নামাজৰ কাৰণে এই বিধান সভাও চুটি হয় তেনেকুৱা এটা নামাজত তাত এজনো লোক নাই । এনেকুৱা পৰিস্থিতি তাত কেনেকৈ হবলৈ পালে। তাৰ যিজন অফিচাৰ ইন্‌চাৰ্জ আছে সেইজনে তাত ভীষণ গণ্ডগোল হব পাৰে বুলি নলবাৰীলৈ ওৱাৰলেছ মেচেইজ পঠালে। সেই ওৱাৰলেছ মেছেইজ পাই চৰকাৰে আইন শৃঙ্খলাৰ পৰিস্থিতি ৰক্ষা কৰিবৰ কাৰণে বেটেলিয়নৰ পৰা পুলিচ আদি নি তাত ৰাখিছেগৈ ।

*Mr. Speaker :—Order, order, as the Chief Minister has suggested, the hon'ble members should confine to the substance only in which greater interest of the State is involved. If anything not to that context is discussed here, it will reflect outside. Therefore, hon'ble member may please restrain for discussion of things for greater interest.

*Sri Giasuddin Ahmed :— By the by Sir, this is a welcome measure that is suggested by the Chief Minister. But may I suggest

* Speech not corrected

if we voluntarily do not discuss these things in the house. One thing the hon'ble Chief Minister may do. Let all the leaders of different groups be invited in a discussion by the Chief Minister and take effective measure to check recurrence of such things.

শ্ৰীগোলাপ চন্দ্ৰ বৰবৰা (মুখ্য মন্ত্ৰী) ঃ— মাননীয় অধ্যক্ষ মহোদয়, মই ইতিমধ্যেই আমাৰ দলৰ কেইজনমান মন্ত্ৰী আৰু বিধায়কক বিভিন্ন দলৰ, তালৈ পঠিয়াইছোঁ। এই বিষয়ে তেখেতসকল ঘূৰি আহি আমাৰ আগত ৰিপ'ৰ্ট দাখিল কৰিবহি। সেইমতেই কাম কৰা হব আৰু ইতিমধ্যেই কৰিবলগীয়াখিনি কৰাও হৈছে। ইয়াতো আমাৰ মাননীয় বিভিন্ন দলৰ সদস্য সকলক লৈ আলোচনা কৰা হব।

*শ্ৰীএ, এন, আক্ৰম হুছেইন ঃ— মাননীয় অধ্যক্ষ মহোদয়, আজি ১১ দিনৰ পিছত হলেও মুখ্য মন্ত্ৰীয়ে যি ব্যৱস্থা লৈছে তাৰ কাৰণে তেখেত ধন্যবাদৰ পাত্ৰ। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সমাজত যি সকল পুলিচ বিষয়াই সমাজৰ সংহতি নষ্ট কৰিবলৈ প্ৰয়াস কৰে সেই সকলৰ প্ৰতি আমাৰ চৰকাৰে যি কাৰ্য্যব্যৱস্থা গ্ৰহণ কৰিব সেইটো শুধিবলৈ সতৰ্কবানী হিচাবে মোৰ আৰু আমাৰ সন্তান সকলৰ বাকী আছে। ইয়াৰ কাৰণে এটা 'জুদিছিয়েল' ইন্‌কুয়েৰি হব লাগে।

*Mr. Speaker :— The hon'ble member is again repeating the same thing for which I have already requested to refrain from discussion. I also requested the press to stop publication of this matter.

*শ্ৰীএ, এন, আক্ৰম হুছেইন ঃ মাননীয় অধ্যক্ষ মহোদয়, পুলিচ বিভাগ আৰু বিষয়া সকলৰ আইনশৃংখলা ৰক্ষাৰ ক্ষেত্ৰতহে এই কথাখিনি কব খুজিছিলো। তাকে যেতিয়া কৰলৈ নিদিলে গতিকে সেই কৰণেই মই মোৰ বক্তব্য শেষ কৰিলোঁ।

* Speech not corrected

**Mr. Speaker :**—Now, Sri Bipin Hazarika.

**শ্ৰীবিপিন হাজৰিকা** ঃ– মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যেই পুলিচ শিতানত বৰ্দ্ধিত খৰছ পাতিৰ সম্পৰ্কত যথেষ্ঠ আলোচনা বিলোচনা আদি হৈছে। তাৰোপৰি অনান্য বিলাক বিষয়ৰ ক্ষেত্ৰটো যি বিলাক আলোচনা বিলোচনা আদি হৈছে সেই বিলাকৰ সম্পৰ্কত আৰু এই পুলিচ বিভাগটোৰ কামকাজৰ সম্পৰ্কত যি বিলাক খেলি-মেলি আমি দেখিছোঁ। সেই বিলাকৰ অন্তৰালত এটা ভীষণ বস্তু সোমাই আছে আৰু সেইটো হৈছে যে, এই পুলিচ বিভাগটোক আগৰে পৰাই ৰাজনৈতিক স্বাৰ্থত ব্যৱহাৰ কৰি অহা হৈছিল। এই পৰি-প্ৰেক্ষিতত পুলিচবিভাগৰ যিটো 'লাইন অৱ একশ্যন' সেইটো সমাজৰ কাৰণে হিতকৰ নহয়। বৃটিছৰ যুগৰ পৰাই আৰম্ভ কৰি যোৱা ৩০ বছৰে এই পুলিচ বিভাগটোক একচেতিয়া পুঁজিপতি আৰু সামৰাজ্যবাদী মনোভাৱৰ লোকসকলৰ স্বাৰ্থত ইন্ধন যোগোৱাৰ কাৰণেহে সাধাৰণ গৰীৱ শ্ৰেণীৰ লোক সকলক শোষণ কৰি থকা সকলৰ পথ মুকলি কৰি ৰাখিবলৈকেহে এই পুলিচ বিভাগটোক ইমানদিনে ব্যৱহাৰ কৰি অহা হৈছিল। চোৰাংকাৰবাৰী নিয়ন্ত্ৰণ কৰাৰ ক্ষেত্ৰত নানান বিলাক কথা কোৱা হৈছিল যদিও প্ৰকৃততে দেখা যায় যে, সাধাৰণ শ্ৰেণীৰ লোক সকলক নিস্পেষণ কৰিবৰ কাৰণেইহে এইটো ব্যৱহাৰ কৰা হৈছিল। সেই কাৰণেইহে পুলিচৰ কামকাজৰ ওপৰত যি অভিজ্ঞতা হৈছে সেইটো বৰ ভয়াবহ। ফলত লাল পাগু-ৰিৰ পুলিচ দেখিলেই সন্ত্ৰাস ভাৱৰ সৃষ্টি হয়। মানুহৰ ঘৰলৈ পুলিচ আহিলেই কিবা অপৰাধ বা অন্যায়ৰ কাৰণেহে পুলিচ আহিছে বুলি মানুহৰ মনত বদ্ধমূল ধাৰণাৰ সৃষ্টি হৈ গল। জৰুৰীকালীন অৱস্থা ঘোষনা কৰাৰ সময়ত ঘোষনা কৰা হৈছিল যে, চোৰাং কাৰবাৰী আদিক ধৰিবৰ কাৰণেইহে এই বিভাগটোক ব্যৱহাৰ কৰা হব। সেইমতে কিছুমান মানুহ ধৰি আনোতে

চৰকাৰী প্ৰচাৰ মাধ্যমেদি ঘোষণা দিয়া হৈছিল যে, এই সকল চোৰাং কাৰবাৰী।

আমাৰ কিছুমান তিক্ত অভিজ্ঞতা এই ক্ষেত্ৰত হৈ গৈছে। আমি জেইলত থকা সময়ত বহু সময়ত দেখিছিলো কিছুমান নিৰপৰাধী লোকক ধৰি লৈ নানান ভাবে শাস্তি বিহা হৈছিল আৰু ৰেডিয় আৰু কাকতৰ যেগেদি প্ৰচাৰ কৰিছিল যে কিছুমান বিখ্যাত ডকাইটক ধৰি অনা হৈছে। কাক পথাৰত লক্ষী সিং নামৰ এজন বুঢ়া মানুহ যাৰ দুবেলা দুমুঠি খাবলৈ নাই, পিন্ধিবলৈ কাপোৰ নাই, এটা নিঃকিন অৱস্থাত জীৱন-কাল অতিবাহিত কৰিছে সেইজন মানুহৰ ঘৰত কেইবস্তা মান সৰিয়হ পাই তেওঁক ধৰি আনি গ্ৰেপ্তাৰ কৰা হল আৰু গোচৰ তৰিলে। প্ৰচাৰ কৰিলে যে এজন বিখ্যাত চোৰাং বেপাৰীক ধৰা পেলোৱা হৈছে। তাৰ পাচত আকৌ ৰেডিয়ত ঘোষণা কৰিলে যে আন এজন বিখ্যাত চোৰাং বেপাৰী ধৰা পৰিছে তেওঁক আমি থকা জেললৈকে লৈ আনিলে। তাত আমি দেখা পালো সেই চোৰাং বেপাৰীজন এজন সৰু লৰা ফটা-চিটা কাপোৰ পিন্ধিছে। তেওঁক সোধাত কলে যে তেওঁ কোটাত দিয়া চেনীৰ এবস্তা বিক্ৰীত লৈ আহিছিল বাটতে পাই তেওঁক চোৰাং বেপাৰী বুলি গ্ৰেপ্তাৰ কৰি লৈ আহিছে। তাৰ পাচত আৰু এজন মানিক লাল চৌহান তেওঁকো ঠেলাত দুবস্তা চেনী লৈ অহাৰ বাবে জেলত ৰখা হল। আৰু কেবামাহো তাত ৰাখি হাৰাশাস্তি কৰিলে। তাৰ পাচত ওলাল বোলে মই হেনো ডুমডুমাৰ এখন মিটিঙত গৈ তেতিয়াৰ চৰকাৰৰ বিৰুদ্ধে জনগণক আহ্বান কৰিছিলো। কিন্তু আচৰিত কথা সেই সময়ত মই জেলত আছিলো। আন এজন শ্ৰীপ্ৰীতি ভূষণ চক্ৰৱৰ্তী তেওঁকো বৃটিছ চৰকাৰৰ বিৰুদ্ধে ১৯৪২ চনতে চৰকাৰৰ বিৰুদ্ধে প্ৰচেচন কৰাৰ কাৰণে অভিযোগত উল্লেখ কৰা হৈছিল। এই বিলাক হল পুলিচৰ কাৰ্য্যকলাপৰ নমুনা। এ, আই, চি, চি, ৰ সময়ত পুলিচ বিলাক একো একোজন ৰজা

হৈ পৰিছিল। আৰু থানাৰ অ-চি, সকল দেশৰ একো একোজন দাতিঅলিয়া ৰজা। কোনোবাই যদি তেওঁলোকৰ ওপৰত অতিষ্ঠ হয় তেতিয়াহলে তাৰ অৱস্থা ভয়ানক হয়। মই আগৰ অধিবেশনতে কৈছিলো ২২ লাখ টকাৰ ট্ৰিপাল অনা হৈছিল। কিন্তু তাৰ আজি এটুকুৰাও নাই। আৰু পুল কাৰতো তেওঁলোকে অজস্ৰ টকা খৰচ কৰিছে। তাৰো কোনো হিচাব নাই। বেৰিয়াৰ ফেনচিংৰ কাৰণে তেওঁলোকে ফাৰ্ম এখনত বহুত লাখ টকা পেমেণ্ট কৰিছে কিন্তু তাৰ কোনো হিচাবপত্ৰ নাই। এনেকুৱা ধৰণৰ নমুনাৰ কাম তেওঁলোকে কৰি আহিছে। আৰু এটা ডাঙৰ কথা হল আমাৰ পুলিচৰ এটা চিক্ৰেট ফাণ্ড আছে আৰু পুলিচ বিভাগৰ মন্ত্ৰী ডাঙৰীয়াও ইয়াত জৰিত আছিল। এজন বিশিষ্ট পুলিচ বিষয়াই এই ফাণ্ড অপাৰেট কৰিছিল। এই ফাণ্ডৰ কোনো অডিটৰ ব্যৱস্থা নাই গতিকেই কত কি হিচাব কৰিলে কত কিমান টকা আত্মসাত কৰিলে তাৰ কোনো স্থং সূত্ৰ নাই। আমি ইমানদিনে ইমান নিস্পেষণ যেতিয়া ভুগিবলগীয়া হৈছে তেনে ক্ষেত্ৰত গণতন্ত্ৰৰ ওপৰত তেনে ধৰণৰ আঘাত সহ্য কৰা নহব। এইদৰে পুলিচ বিভাগৰ কাম-কাজ বিলাক চলি আছে। সেই বিলাক কোনোতোয়েই সন্তোষজনক নহয়। ঠায়ে ঠায়ে মালিক পক্ষৰ এই পুলিচ বিষয়া সকলে কাম কৰি থাকে। এই পুলিচ বিষয়া সকল জনতা চৰকাৰৰ দিনতো একেই থাচতে কাম কৰি আছে। এই পুলিচ বিষয়া সকলে জনতা দলৰ প্ৰতি আস্থাশীল নহয়। আৰু জনতা দলৰ কাৰ্য্যৰ প্ৰতি তেওঁলোকৰ আগ্ৰহ নাই। আনকি তেওঁলোকে নতুন চৰকাৰক বিপদত পেলাবৰ কাৰণেও চেষ্টা কৰে। আজি যি চৰকাৰ অসমৰ বাইজে আৰু বামপন্থী দলে সমৰ্থন কৰি গঠন কৰিছে সেই চৰকাৰক বিপদত পেলোৱাৰ কাৰণে এই পুলিচ বিষয়া সকল আগৰ থাচতে থকা কাৰণে এতিয়াও তেওঁলোকক বিপদত পেলোৱাৰ বাবে চেষ্টাত আছে। কিয়নো আগতে যি ভান্দাৰৰ সোৱাদ তেওঁ-

লোকে পাইছিল সেই সোৱাদ তেওঁলোকে এতিয়াও এৰিব পৰা নাই। গতিকে এই ষড়যন্ত্ৰৰ বিৰুদ্ধে বামপন্থী আৰু অসমৰ ৰাইজ সজাগ থাকিব লাগিব। গণতন্ত্ৰৰ অধিকাৰ খৰ্ব হব যদিহে ইয়াক প্ৰতিৰোধ কৰিব নোৱাৰি। ইতিমধ্যে নানান ঠাইত হত্যাকাণ্ড হৈছে। অলপতে দিন দুপৰতে ৰঘু ওৰাং বোলা এজন মানুহক হত্যাকৰা হল আৰু তাৰ বাপেকক আচল তথ্য ওলাই যাব বুলি জেলত নিক্ষিপ্ত কৰি ৰাখিছিল। অচ্যুত গোহাঁই বোলা এজনকো ষড়যন্ত্ৰ কৰি হত্যা কৰা হল। এই কেচটো ধৰা পেলোৱাৰ কাৰণে যি ধৰণে অনুসন্ধান কৰিব লাগিছিল সেই ধৰণে কৰা নাই, কুকুৰ ব্যৱহাৰ কৰা হলে কথাটো ওলাই পৰিলহেতেন। আৰু এই কেচটো অনুসন্ধান এজন ওপৰৰ গ্ৰেডৰ বিষয়াক দিব লাগিছিল। কিন্তু আচল তথ্য ওলাই যাব বুলি দায়িত্বৰ হাত সাৰি যোৱাৰ কাৰণে ষড়যন্ত্ৰ কৰিছে। আৰু তলৰ গ্ৰেডৰ এজন কৰ্ম্মচাৰীক ইয়াৰ তদন্ত কৰিবলৈ দিয়া হৈছিল।

দিল্লী চাহ বাগিছাত চি, আই, টি ইউনিয়ন আছে। পুলিচ পক্ষ আৰু মালিক পক্ষ জৰিত হৈ পুলিচ অফিচাৰ কিছু গৈ এই চি, আই, টি ইউনিয়নৰ ওপৰত কিছুমান কেচ ৰুজু কৰি জুলুম কৰিছে। ভুৱা কেচ দিছে আৰু গোটেই ষড়যন্ত্ৰটো এনে ধৰণে হৈছে যে তাত যদি চৰকাৰে হাত দিব নোৱাৰে দমন কৰিব নোৱাৰে, চক্ৰান্তটো ব্যৰ্থ কৰিব নোৱাৰে তেতিয়া গোটেই মজদুৰ সম্প্ৰদায়ৰ মাজত এটা বিক্ষোভে দেখা দিব। এই খিনিতে মই দুই এটা উদাহৰণ দিব খুজিছো আৰু আগৰ সদনতো কৈছিলো মৰীয়নীত হোৱা ঘটনা সম্পৰ্কত পুলিচে ৰাইজৰ ওপৰত পূৰণা ধাচতে কাম কৰি আহিছে। গাওঁ অঞ্চলত ১৪৫ ধাৰা ব্যপক ভাবে প্ৰয়োগ কৰাত আগ-বাঢ়িছে। মাটিৰ কেচত যি বিলাক মালিকৰ টকা-পইচা আছে তেওঁলোকে পুলিচৰ সমৰ্থন আদায় কৰিবলৈ সমৰ্থ হয়। আনহাতে দুখীয়ালোক সকলক পুলিছে ভয় দেখুৱাই

নিৰ্জ্জাটনৰ ভাবুকি দিয়ে কোৰ্ট কাছাৰিৰ ভয় দেখুৱাই তেওঁ-লোকক সু-বিচাৰৰ পৰা বঞ্চিত কৰি মাটি-বাৰি জব্দ কৰে আৰু কৃষক সকলৰ এইদৰে উপাৰ্জন নোহোৱা হৈছে। ফলত দুখীয়া কৃষক সকলৰ অনেক অপায় অমঙ্গল হব ধৰিছে। আজি দেখা যায় কিছুমান অঞ্চলত দিন দুপৰতে চুৰি হৈছে। ডাঙৰী চৰকাৰী ডিচপেনচাৰীত দুবাৰ চোৰ হল। পুলিচক মাতিবলৈ গলে তেতিয়া পুলিছে কয়, গাড়ী আনিব লাগিব। গাড়ী লৈ আহিলেহে অনুসন্ধান কৰিবলৈ যাব আৰু গাড়ী নাহিলে অনুসন্ধান নকৰে। আজি এইটো অৱস্থা আমি দেখিবলৈ পাইছো। ৰাইজে যি ধৰণে আশা কৰিছিল বা পুলিচৰ যিটো ভূমিকা সেই ভূমিকা পালন কৰা নাই। যদি আগৰ ভূমিকাই লৈ থাকে তেতিয়া হলে দুখীয়া সকলৰ কাৰণে ই বিপৰ্য্যয়ৰ কাৰণ হব। কাৰণ ৰাইজে আজি বুজি পাইছে যে, ভাৰতত যাৰ টকা আছে তেওঁৰ কাৰণে এই খন স্বৰ্গ ৰাজ্য আৰু যাৰ টকা পইচা নাই তেওঁৰ কাৰণে এই খন কুণ্ড। যদি এই অৱস্থাত আৰু বেচি দিন কটাব লগীয়া হয়, তেন্তে ৰাইজে সেই খিনি সহ্য নকৰিব। আন এটা কথা কব খুজিছো যে আমাৰ সাধাৰণ কনিষ্টবল সকলক সুবিধা দিয়াৰ ক্ষেত্ৰত বঞ্চিত কৰা হৈছে। তেওঁলোকক অমানবীয় ব্যৱহাৰ কৰা হয়। গুৱাহাটীৰ বৰ বৰ পুলিচ বিষয়াৰ ঘৰত বা বেটেলিয়ান কেন্দ্ৰ বিলাকত পুলিচ বিষয়া বিলাকে কনিষ্ট-বল বিলাকক ঘৰুৱা কামত লগায় আনকি, কাপোৰ-কানি ধুবলৈ দিয়ে আৰু বাচন মাজিবলৈ দিয়ে, জোতা পলিচ কৰিবলৈ দিয়ে। মানুহ হিচাবে যদি স্বীকৃতি নাপায়, ইয়াতকৈ আৰু কি পৰিতাপৰ কথা হব পাৰে। জনতা চৰকাৰৰ দিনত যাতে এই ধৰণৰ হব নোৱাৰে তালৈ চকু ৰাখিব লাগিব। ইতিমধ্যে গম পাইছো যে, কিছুমান উচ্চতম বিষয়াই বেলেগ বেলেগে চাইড বিজিনেচ আৰম্ভ কৰিছে। গাহৰি পাম ইত্যাদি তেওঁলোকে কৰিছে আৰু তাত পুলিচ কনিষ্টবলক

ব্যবহাৰ কৰা হৈছে। এই খবৰ আমি পাইছো সঠিক হয়নে নহয় আমি নাজানো। এই ক্ষেত্ৰত তদন্ত কৰিব লাগে আৰু ব্যৱস্থা লব লাগে। তাৰ পাচত চৰকাৰী গাড়ী বিলাক উচ্চতম বিষয়াৰ লৰা-ছোৱালী স্কুললৈ অনা নিয়া কামত আৰু অন্যান্য ঘৰুৱা কামত আনকি গৰু-গাইৰ ঘাহ অনা কামত ব্যৱহাৰ কৰে। যদি চৰকাৰী গাড়ী এনেকৈ ব্যৱহাৰ কৰা হয় তেতিয়া হলে এইটো বৰ বিস্ময়ৰ কথা আৰু অসমৰ জনগনে নিশ্চয় অফিচাৰৰ ঘাহ কঢ়িৱাৰ কাৰণে টকা দিয়াতো উচিত নহব। ইতিমধ্যে আমাৰ গুৱাহাটীত থকা কিছুমান পুলিচ অফিচাৰৰ এটা চক্ৰান্ত গঢ়ি উঠিছে। ইটো বিভাগৰ পৰা সিটো বিভাগলৈ গৈ ইয়াতে ১৭—১৮ বছৰ থাকিব। এই ক্ষেত্ৰত গৃহ মন্ত্ৰীয়ে ব্যৱস্থা লব বুলি আশা কৰিছো। বিগত বছৰ কেইটাত টকা-পইচাৰ খেলি মেলি আৰু অন্যান্য অভিযোগ এই সদনত উতত্থাপন কৰিছিলো। তাৰ এটা তদন্ত এতিয়ালৈকে আৰম্ভ হৈছে বুলি জনা নাই। এই তদন্ত আৰম্ভ নকৰাৰ ক্ষেত্ৰত কি অন্তৰায় আছে জানিব পৰা নাই। গতিকে এনেধৰণৰ তদন্ত অতি সোনকালে আৰম্ভ কৰা হওক আৰু প্ৰাইমাফেচি কেচ যদি পোৱা যায় তেতিয়াহলে বিষয়াক ততকালে বৰ্খাস্ত কৰাৰ ব্যৱস্থা কৰিব লাগে। তাৰ ঠাইত অন্যান্য যিবিলাক বিষয়াই একান্তিক ভাবে কাম কৰে সেই সকলক যোগ্য স্থানলৈ লৈ অহাৰ ব্যৱস্থা হব লাগে। আগৰ চৰকাৰৰ দিনত ৰাজনৈতিক উদ্দেশ্য প্ৰনোদিত ভাবে কিছুমান পুলিচ বিষয়াক ব্যৱহাৰ কৰাৰ অভিযোগ আহিছিল। সেই অভিযোগ সমূহ ইতিমধ্যে হাচ আপ কৰি ৰাখিছে আৰু এটা এনে অভিযোগ আন আন পুলিচ বিষয়াৰ হাতৰ আগৰ গবেষণা গাৰলৈ পঠাই মূল বিষয়টো তল পেলাই থৈছে। এই মূল বিষয়টোৰ বিষয়ে তদন্ত হব বুলি আশা কৰিছো। কালি ওলাইছে যে শ্ৰম মন্ত্ৰীয়ে উৰ্দ্ধত্তম পুলিচ বিষয়া আৰু বাগানৰ মালিক আদিক লগত লৈ ফুৰিছে। পুলিচক লেবাৰৰ বিৰুদ্ধে ব্যৱহাৰ কৰাৰ চক্ৰান্ত

গঢ়ি উঠিছে নেকি, এই ক্ষেত্রত মুখ্য মন্ত্ৰীয়ে বিশেষ ভাবে তদন্ত কৰিব লাগে আৰু শ্ৰম মন্ত্ৰীয়ে এনেকৈ কাম কৰাতো বন্ধ কৰিব লাগিব। যদি বন্ধ কৰা নহয় তেতিয়া হলে এই সদনে বন্ধ কৰাৰ ব্যবস্থা কৰিব লাগিব। ইতিমধ্যে ডিব্ৰুগড়ত তেনেকুৱা ধৰণৰ কথা আমি শুনিবলৈ পাইছো আৰু দুটামান খবৰ ইতিমধ্যে পাইছো। নামৰূপ ফাৰটিলাইজাৰ ইউনিয়নৰ সম্পাদকৰ ওপৰত এটা গোচৰ দিছে। গোচৰটো হ'ল তেওঁ ৰিভলভাৰ ৰাখে আৰু মাৰ পিত কৰে। মই জনা মতে এই মানুহজন এজন সাধাৰণ লোক। দীৰ্ঘদিন ধৰি তেওঁ জেলত আছিল "মিছা" আইনত জেলত থকাৰ পাচত এটা ভুৱা অভিযোগ দি গ্ৰেপ্তাৰ কৰা হৈছে। এতিয়া জামিনত দিয়া হৈছে। পুলিচক সুধিলে কয় যে, গঙ্গেশ্বৰ গগৈৰ গ্ৰেপ্তাৰৰ আদেশ ওপৰৰ পৰা আহিছে আমি একো নাজানো। যদি এনেকুৱা আদেশ ওপৰৰ পৰা গৈ থাকে তেতিয়া হলে সন্দেহ হয় আগতে কংগ্ৰেছে পুলিচক যি ধৰণে ব্যৱহাৰ কৰিছিল সেই ধৰণে ব্যৱহাৰ কৰাৰ কাৰণে আপোনালোকৰো অভিলাস আছে নেকি? এই ক্ষেত্রত হয়তো এনেকুৱাও হব পাৰে যে তিক্ততা সৃষ্টি কৰিবৰ কাৰণে এনেকুৱা কথা কৈছে। গতিকে এই বিলাক ক্ষেত্রত চৰকাৰ সজাগ হব লাগে। লগে লগে যাতে দুখীয়া শ্ৰেণীৰ মানুহৰ ওপৰত কোনো ধৰণৰ জুলুম নহয় আৰু ১৪৫ ধাৰা কেচ বিলাক নহয় তাৰ ব্যৱস্থা লাগে। ইতিমধ্যে ডিব্ৰুগড় জিলাত বাগানৰ বনুৱা সকলৰ ওপৰত মালিকি পক্ষই গোচৰ তৰিছে আৰু মাজে মাজে পুলিছে গৈ ভিতি প্ৰদৰ্শন কৰে। এই বিলাক কাৰ্য্য অতি সোনকালে বন্ধ কৰিব লাগে আৰু এই বিলাক তদন্ত কৰি দুখীয়া মানুহ বিলাকক পুলিচৰ কবজাৰ পৰা মুক্ত কৰিব লাগে। ধন্যবাদ।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী— অধ্যক্ষ মহোদয়, এই শিতানত আজি আপুনি বেচিকৈ জানে যে— ১৪ জুনৰ দিনা ছাত্ৰ-ছাত্ৰীৰ বিক্ষোভৰ কথাটো কংগ্ৰেছৰ পক্ষৰ পৰাই আৰম্ভ হৈছে। ১৪ জুনৰ দিনা ছাত্ৰৰ বিক্ষোভকাৰী লোক সকলক সম্পূৰ্ণভাবে — — —

**Mr. Speaker :** The honourable member will continue next day.

*শ্ৰীপ্ৰেমধৰ বৰা ঃ— মাননীয় অধ্যক্ষ মহোদয়, এটা বিশেষ সমস্যাৰ কথা মই অতি দুখেৰে সৈতে পবিত্ৰ সদনত উত্থাপন কৰিবলৈ বিচাৰিছো আৰু মাননীয় সদস্য সকলৰ গভীৰ চিন্তাৰে দৃষ্টি আকৰ্ষণ কৰিছো। এইটো অতি গুৰুত্বৰ কথা আপোনালোক সকলোৱে জানে— যোৱা ১২ জুন তাৰিখে অসমৰ মাধ্যমিক শিক্ষা পৰিষদৰ মেট্ৰিকুলেশ্যনৰ ৰিজাল্ট অসম চৰকাৰে ঘোষণা কৰিলে। অতি পৰিতাপৰ বিষয়—মোৰ বিহপুৰীয়া সমষ্টিত যিটো কেন্দ্ৰ আছিল— গোটেই বিহপুৰীয়াৰ পৰীক্ষা কেন্দ্ৰ— সেই কেন্দ্ৰৰ ৰিজাল্ট আজিলৈকে সম্পূৰ্ণ বন্ধ কৰি ৰখা হৈছে। যোৱা ১২ তাৰিখৰ পৰাই আজি ১৬ তাৰিখ পৰ্য্যন্ত পৰীক্ষাৰ্থী-সকলৰ ফলাফল ঘোষণা নকৰাত কণ কণ ছাত্ৰ-ছাত্ৰীৰ মনোভাৱ কেনেকুৱা হব পাৰে অধ্যক্ষ মহোদয়—আপুনি অনুভৱ কৰি চাওক। লগতে গাঁৱত থকা তেওঁলোকৰ অভিভাৱক সকলৰ মানসিক অৱস্থা কেনে হব পাৰে অধ্যক্ষ মহোদয়,— আপুনি চিন্তা কৰি চাওক।

সেই কাৰণে মই এই গুৰুতৰ বিষয়টো আমাৰ মাননীয় শিক্ষা মন্ত্ৰী আৰু সমবায় বিভাগৰ মন্ত্ৰীৰ ভাৰপ্ৰাপ্ত মন্ত্ৰী হিচাবে জৰিত থকাত গভীৰ ভাবে তেখেতসকলৰ দৃষ্টি আকৰ্ষণ কৰিছোঁ— লগতে এই বন্ধ হৈ থকা ফলাফল আজিয়েই প্ৰকাশ কৰিবৰ কাৰণে দাবী জনাইছো—আৰু ইয়াৰ লগত জৰিত কাৰ চক্ৰান্তৰ কাৰণে এই লৰা-ছোৱালী বিলাকৰ পৰা ধন সংগ্ৰহ কৰিও পৰীক্ষাৰ চুপাৰিণ্টেণ্ডেণ্টজনে আমাৰ স্থানীয় চেণ্ট্ৰেল কো-অপাৰেটিভ বেংকত টকা জমা দিয়া স্বত্বেও আজি পাঁচ ছয় মাহ ধৰি এই টকা-পইচা আহি মাধ্যমিক শিক্ষা বোৰ্ডত জমা নহল? কোন চক্ৰান্তকাৰীয়ে এইটো কৰিছে— যাৰ ফলত মাধ্যমিক শিক্ষা পৰিষদৰ ফলাফল লগে লগ দিব নোৱাৰিলে? গতিকে অধ্যক্ষ মহোদয়, মই গভীৰ ভাবে মোৰ সমষ্টিৰ এই দুষ্কৃতিৰ বাবে সদনৰ দৃষ্টি আকৰ্ষণ কৰিছো। ইয়াৰ এটা তদন্ত হব লাগে, লগতে ছাত্ৰ-ছাত্ৰী সকলৰ আৰু তেওঁলোকৰ অভিভাৱকৰ মানসিক

* Speech not corrected

অৱস্থা ভাললৈ আনিবৰ কাৰণে আজিৰ ভিতৰতে ফলাফল ঘোষণা কৰিবলৈ দাবী জনাইছো।

এই ক্ষেত্ৰত শিক্ষা-মন্ত্ৰী ডাঙৰীয়াই নিজে হস্তক্ষেপ কৰি মাধ্যমিক শিক্ষাবোৰ্ডক ফলাফল ঘোষণাৰ কাৰণে হুকুম দিয়ক— লগতে যি সমবায় চেক্ৰেটৰীয়ে লগত শিক্ষাবোৰ্ডৰ চেক্ৰেটৰীয়ে আজি ছয়মাহ দিনে কিয় যোগাযোগ কৰিব নোৱাৰিলে— আৰু এতিয়া কিয় এনেকুৱা হবলৈ পালে তাৰ কাৰণে মই তদন্তৰ দাবী কৰিছো। লগতে তেখেত সকলৰ ভাৰপ্ৰাপ্ত মন্ত্ৰী হিচাবে দিয়া বিবৃতিৰ দ্বাৰা সমস্যা সমাধান নহলে— মই স্থানীয় প্ৰতিনিধি হিচাবে ইয়াৰ বিহিত ব্যৱস্থা লবলৈ বাধ্য হম।

**Shri Fakrul Islam :—** Mr. Speaker, Sir, I would also like to raise one point in this connection. Such an occasion of not publishing the result has also occured in the past in some districts, particularly I can cite an example of Hailakandi where the result was not published once because of the similar cause. Actually, Sir, the Principal sent the money in due time but the S. E. B. A. office did not put it in record and it was not entered into their ledger with the result that inocent students had to suffer. The money has been despatched in time but this was not entered into their ledger due to the negligence of S. E. B. A. Office. Therefore, Sir, there should be an enquiry of such a matter against the S. E. B. A office. I, therefore, request the Honorable Minister to investigate into the whole affairs.

**Mr. Speaker :—** The Minister will make a statement.

*শ্ৰীসোণেশ্বৰ বৰা (সমবায় মন্ত্ৰী) ঃ— অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীপ্ৰেমধৰ বৰা ডাঙৰীয়াই উত্থাপন কৰা বিষয়টো দৃষ্টিগোচৰ কৰিছো—

* Speech not corrected

এই বিষয়ে আগতে মোৰ জনা নাছিল— এতিয়া খবৰ লৈ এইখিনি কথা জনাব পৰা গৈছে— যে বিহপুৰীয়াৰ মেট্ৰিক কেন্দ্ৰৰ ছাত্ৰসকলৰ যিখিনি মাছুল— সেইখিনি বিহপুৰীয়াৰ কেন্দ্ৰীয় সমবায় বেংকত জমা থৈছিল আৰু কেন্দ্ৰীয় সমবায় বেংকে এইখিনি টকা পাইছে আৰু এতিয়াও জমা আছে। অৱশ্যে যদিও শিক্ষাবোৰ্ডে টকা খিনি পোৱা নাছিল— এতিয়া শিক্ষাবোৰ্ডক টকাখিনি নিবলৈ দিয়া হৈছে— কিন্তু বেংকৰ কিছুমান নিজস্ব স্বতন্ত্ৰীয়া ব্যৱস্থা আছে— তাৰ কাৰণে চৰকাৰে পোনপতীয়াকৈ নিৰ্দ্দেশ দিব নোৱাৰিলেও এতিয়া এই বিষয়ে ব্যৱস্থা কৰা হৈছে। যিহেতু বেংকত টকাখিনি জমা আছে— সেই বেংকৰ পৰা ইতিমধ্যে খবৰ পোৱা গল যে বেংকে টকা খিনি দিব পৰা ব্যৱস্থাত আছে— গতিকে শিক্ষা বিভাগক এই পইচাখিনি জমা দিব— সেই কাৰণে বেংকৰ ফালৰ পৰা এই টকাখিনি শিক্ষা বিভাগক দিওতে আৰু আওল নহয়। ফলাফল ঘোষণা কৰা কথাটো শিক্ষা মন্ত্ৰী ডাঙৰীয়াই এই বিষয়ে ডাঙি ধৰিব।

*শ্ৰীগিয়াচুদ্দিন আহমেদ ঃ— অধ্যক্ষ মহোদয়, এই পৰিণতিত কি কাৰণে ইমান খেলি মেলি হল— তাৰ এটা তদন্ত হব নে?

* শ্ৰীসোণেশ্বৰ বৰা (মন্ত্ৰী) ঃ— অধ্যক্ষ মহোদয়, এই বেংকটো এপেক্স বেংকৰ লগত মাৰ্জ্জাৰ হোৱা কথা এটা সেই সময়ত চলি আছিল— এই প্ৰসঙ্গত মই সকলোকে জনাব বিচাৰিছো যে লিকুডেচন হোৱাৰ কাৰণে এই বেংকৰ টকা জমা নাছিল। কেন্দ্ৰৰ পইছা জমা দিয়াৰ পাছত হাইকোৰ্টত মোকদ্দমা দিয়াৰ কাৰণে ৰিজাৰ্ভ বেংকে মৰেটৰিয়াম উঠাই লোৱা নাছিল— আৰু তাৰ কাৰণে এইখিনি খেলিমেলি হৈছিল।

*শ্ৰীছামছুল হুদা ঃ— এই কথাখিনি বহী চাই থকা অৱস্থাত কিয় নহল?

* Speech not corrected

ছাত্ৰ-ছাত্ৰীয়ে টকা জমা দিলে— বহি পৰীক্ষাও দিলে— পৰীক্ষাৰ বহীও চোৰা হল— টেবুলেচনো হল—ৰিজাল্টো ওলাল। ইমান দীঘলীয়া দিন কেইটাৰ ভিতৰতেই এই খেলিমেলি দূৰ নহল কিয়? ইয়াৰ তদন্ত হব লাগে। তেওঁলোকে দৰ্মহাৰ কাৰণে গণ্ড-গোল লগাইছেনে ৰাইজৰ সেৱাৰ কাৰণে কৰিছে—ইয়াৰ তদন্ত হব লাগে।

*শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী :— যিহেতু এই সমবায় বেংকটো মৰেটৰিয়ামত গৈছে— তেনেস্থলত এই বেংকে কিয় জমা টকাখিনি গ্ৰহণ কৰিছিল?

( উত্তৰ নাই )

*শ্ৰীলক্ষ্যধৰ চৌধুৰী ( শিক্ষা মন্ত্ৰী ) :— মাননীয় সদস্য শ্ৰীপ্ৰেমধৰ বৰা ডাঙৰীয়াই কথাটো উত্থাপন কৰাৰ লগে লগে আমাৰ দৃষ্টি গোচৰ হৈছে। সচাঁকৈ এই সমস্যাটো অতি গুৰুতৰ আৰু গুৰুতৰ কাৰণেহে উত্থাপন কৰিছে— ময়ো গুৰুতৰ বুলিয়েই ভাবিছো— কিন্তু সমস্যাটো যিমানেই গুৰুতৰ নহওক জনতা চৰকাৰে তাক সমাধান কৰিবই। সেইকাৰণে ইতিমধ্যে তেওঁলোকক নিৰ্দ্দেশ দিয়া হৈছে যাতে ধন নহলেও ৰিজাল্ট দিবই লাগিব।

**Mr. Speaker** :— I cannot allow debates on this issue. Now, Item No. 3—Shri Mukut Sharma.

## CALLING ATTENTION

**Sri Mukut Sharma** :— Mr. Speaker, sir, I beg to call the attention of the Minister, Forests under Rule 54 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly on the news item appearing in the Dainik Asom, Dated 24 th May, 1978, under the caption" "ব্যাপক ভিত্তিত বে-দখল চলাত উদ্বেগ"।

**Shri Somar Brahma Choudhury ( Minister )** :— Mr. Speaker, sir, Govt's

* Speech not corrected

attention has been drawn to the news item "Byapak Bhittit Bedakhal Chalat Udhag" published in Dainik Asom in its issue of the 24th May, 1978. It has been mentioned in the news item that in certain areas under Sootea Police Station of Tezpur Sub-division large number of people coming from outside the District have been trying in an organised manner to disposses the allottees of lands who are in possession, and that it is likely to create some amount of tension in that areas. The news report further mentions that in the Balipara Reserved Forest area also, similar attempts to encroach upon forest lands are being made, and that though the Forest Department has been taking steps to stop such a move, for encroachment on forest land has given rise to some apprehension of unpleasant situation among the local people.

The area mentioned under Sootea Police Station is outside the Reserve Forests and from the information available from the Deputy Commissioner, Darrang and the Revenue Department it appars that some ceiling surplus land acquired from Dikorai Tea Estate was allotted to landless people and they are in occupation now. The Deputy Commissioner has sent out officers to make detailed enquiries in these areas if there was actually any threat of organised attempt to dispossess the occupants. Till now there has been no report of any tension over this matter in the area as stated in the news item. The Deputy Commissioner, however, will take appropriate steps, if any such situation arises.

So far as the Reserved Forests are concerned, Govt. is aware of the encroachments made in the Balipara reserved Forest. Reports have also been received about sizeable groups of people from other districts coming to different areas of Tezpur Sub-division with a view to encroach in nearby forest lands. Govt. have already alerted the local offiicers of the Forest Department so that there is no fresh encroachments on forest lands. A programme for carrying out eviction of encroachers from the Reserved Forests was also drawn up by the local officers and

assistance of Police and Magistrate were sought for. Though the eviction programme had to be deferred for various difficulties Govt. is firm that no new encroachment will be allowed. The hon'ble House would appreciate that encroachment on Govt. lands including forests has posed a complicated problem and I appeal to the hon'ble members of this August House to extend their full co-operation to the Govt. in bringing about a satisfactory solution of the matter.

***Shri Ranendra Narayan Basumatari** ;—Sir, it appears from the statement of the Hon'ble Minister, Forests that the intending encroachers they went there to encroach and dispossess the allottes of the land. May I know whether these intending encroachers are still there squatting at the outskirt of the settlement area or they have been transferred to some other area ?

**Shri Samar Brahma Choudhury** ( Minister ) :— Actually, Sir, it does not concern the Forest Department. As I have already said that the land was acquired from a Tea Garden ...

* **Shri Ranendra Narayan Basumatari**— No, Sir. This *will* create law and order problem if these squatting people are still there.

**Shri Samar Brahma Chaudhury** ( Minister ) — No, sir. They are not there.

## MATTER UNDER RULE 301

* **Shri Khogen Barbaruah**— Sir, I want to raise a matter under Rule 301 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly relating to—

মাজুলী কপাহতলীৰ সাতাৱন টা পৰিয়াল যোৰহাট মহকুমাত লাহিং মৌজাৰ খেৰবাৰীত ( আমুগৰি বাগানৰ চিলিঙৰ মাটি ) ১০-৬-৭৭ তাৰিখত বহুৱা হৈছিল আৰু তেওঁলোকক ২৫-৪-৭৮ তাৰিখত শিৱসাগৰ মহকুমাৰ দোপদৰ মৌজাৰ টিফুক গ্ৰাণ্টলৈ স্থানান্তৰ কৰা হৈছে।

* Speech not corrected.

অধ্যক্ষ মহোদয়, পৃথিবীৰ ভিতৰতে ৰিভাৰ আইলেণ্ড হিচাবে মাজুলী বৃহত্তৰ। এই মাজুলীত আজি সাধাৰণ ৰাইজক একেবাৰে ব্ৰহ্মপুত্ৰৰ গড়াখহনীয়াই তাৰ পৰা স্থানান্তৰিত হবলৈ বাধ্য কৰাইছে। এই পৰিয়াল কেইটা বানবিধ্বস্ত পৰিয়াল। তেওঁলোকক আগৰ ঠাইৰ পৰা তিনি মাইল আতৰলৈ নিয়া হল। অথচ আমগুৰি বাগানৰে চিলিং যোৱা মাটি যথেষ্ট খেতিমাটি তাত আছিল। কিন্তু সেই খিনি নকৰি তিনি মাইল আতৰত অন্য এঠাইলৈ তেওলোকক স্থানান্তৰিত কৰিলে। যাৰ ফলত তেওঁলোকে জাজী নৈ পাৰ হৈ তালৈ যাবলগীয়া হৈছে। তেওঁলোক এখন বাগানৰ মাজেৰে যাব লাগে। সেই বাগানৰ মালিকে আকৌ যিহেতু তেওঁলোকৰ নিজা ৰাস্তা তাত চাইকেলো চলাই যাব নিদিয়ে। তাত এশ বিশবিঘামান মাটি আছে। তথাপিও তেওঁলোকক কিয় এই দুৰৱস্থাত পেলোৱা হ'ল। এঠাইত খেতি এঠাইত বসবাস। এইটো কেতিয়াও সমীচীন নহয় বুলি ভাবো। এই বিষয়ে মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো।

*শ্ৰীলক্ষেশ্বৰ গোহাঁই (মন্ত্ৰী)— ১৯৭৭ চনৰ জুন মাহত মাজুলীৰ কপাহতলী অঞ্চলত বানপানী আৰু গড়াখহনীয়াত ক্ষতিগ্ৰস্ত হোৱা ৫৭ টা মিচিং পৰিয়ালক যোৰহাট মহকুমাৰ তিয়ক চক্ৰৰ আমগুৰি বাগানৰ পৰা চিলিং আইন মতে অধিগ্ৰহণ কৰা মাটিত পুনৰ সংস্থাপনৰ বাবে মাটি আৱণ্টন কৰা হয়। এই ঠাইখিনিৰ নাম চৰকাৰী নথিপত্ৰ মতে চুটীয়াবাৰী। কিন্তু এই অঞ্চলত প্ৰচুৰ পৰিমানে খেৰ পোৱা হয় কাৰণে ঠাই ডোখৰ খেৰ বাৰী বুলিও স্থানীয় ভাবে জনাজাত। উক্ত ৫৭ টি মিচিং পৰিয়ালক এই ঠাইত পৰিয়ালে প্ৰতি ৯ বিঘাকৈ মাটি আৱণ্টন দিয়া হৈছিল আৰু ১৫০ টকাকৈ আৰ্থিক সাহায্য দিয়া হয়। এই ৫৭ টি পৰিয়ালৰ সকলোৱে আবেদন কৰা মাটি দখল কৰা নাছিল মাত্ৰ ১২ জন মান লোকহে পাম ঘৰ সাজি

* Speech not corrected

আছিলহি আৰু মাটি ভাঙিবলৈ লৈছিল। চুটীয়াবাৰী চিলিং আইনমতে লোৱা উক্ত মাটিখিনি ধান খেতিতকৈ চাহ খেতিৰ বাবেহে বেচি উপযোগী আছিল আৰু সেই কাৰণে আমগুৰি বাগানৰ কৰ্ত্তৃপক্ষই এই মাটিৰ পৰিবৰ্ত্তে উক্ত বাগানৰে শিৱসাগৰ মহকুমাৰ নাজিৰা চক্ৰৰ টীফুকগ্ৰাণ্ট আৰু তাৰ ওচৰৰ সমান পৰিমানৰ মাটি মিচিং পৰিয়াল সকলক পুনৰ সংস্থাপনৰ বাবে এৰি দি আগৰ মাটিৰ লগতে সালসলনি কৰিবলৈ প্ৰস্তাৱ আগবঢ়ায়।

এই মাটিৰ পৰিমাণ ৫১৩ বিঘা। এই বিষয়ে শিৱসাগৰ জিলাৰ উপায়ুক্ত, বাগানৰ কৰ্ত্তৃপক্ষ আৰু পুনৰ সংস্থাপন কৰিবলৈ লোৱা মিচিং ৰাইজৰ প্ৰতিনিধি সকলৰ মাজত আলোচনা হয় আৰু এই আলোচনা ক্ৰমে মিচিং পৰিয়াল সকলক নতুনকৈ দিয়া ঠাইলৈ স্থানান্তৰিত কৰাত সন্মতি প্ৰকাশ কৰে আৰু সেই মতে এই ৫৭ টি পৰিয়ালক নতুন ঠাইলৈ স্থানান্তৰিত কৰাৰ সিদ্ধান্ত লয়। এই দুই ডোখৰ ঠাইৰ দূৰত্ব প্ৰায় ৩ কিলোমিটাৰ। সলনি কৰা মাটিৰ ১৫০ বিঘাৰ এটা অংশ আমগুৰীৰ পৰা তুলি লৈ যোৱা গড়কাপ্তানী বিভাগৰ ৰাস্তাৰ কাষৰ মাটি আৰু বাকী অংশ চিফুগ্ৰাণ্টৰ ভিতৰৰ মাটি এই দুই অংশ মাটিৰ মাজৰ দুৰত্ব প্ৰায় ১ কিঃ মিঃ হ'ব। নতুনকৈ দিয়া মাটিৰ খেতি আৰু বস্তি উভয়তে ব্যৱহাৰ কৰাৰ উপযোগী কাৰণে পুনৰ সংস্থাপন কৰিবলৈ লোৱা ৫৭ টি পৰিয়ালৰ নিজা নিজা সুবিধামতে খেতি বা বস্তিৰ বাবে ১ বিঘাকৈ প্ৰত্যেক পৰিয়ালকে আৱণ্টন দিয়া হয়। ইয়াৰ উপৰিও ৰাজহ বিভাগৰ সাহায্য আঁচনি অনুসৰি ২৫০ টকাকৈ মাটি ভঙা, আবদ কৰা আদি যাৱতীয় খৰচৰ বাবে সাহায্যৰ অনুদান দিয়া হয়।

মাননীয় সদস্য গৰাকীয়ে এই লোকসকলৰ এঠাইত ঘৰ আৰু এঠাইত মাটি দি দুৰ্দ্দশালৈ ঠেলি দিয়া হৈছে বুলি উল্লেখ কৰিছে যদিও দেখা যায় যে চুতীয়াবাৰী পুনতে দিয়া মাটিত মাত্ৰ ১২ জন মানুহেহে ৭ বিঘা ২ কঠা ১৫ লোচামান

* Speech not carrected

মাটিত আছু খেতিৰ বাবে ধান সিচিছিল। এতিয়া আটাই-কেইটা পৰিয়াল নতুন ঠাইলৈ উঠি গৈছে। ৭ বিঘা ২ কঠা ১৫ লোচা মাটিত কৰা খেতি যদি হয় আৰু তেওঁলোকে নিবলৈ ইচ্ছা কৰে তেনেহলে এই ব্যৱস্থা কৰি দিব পৰা হ'ব। গতিকে নতুন ঠাইলৈ স্থানান্তৰিত কৰা বাবে এঠাইত ঘৰ আৰু এঠাইত মাটি পোৱাত অসুবিধাৰ কথা নুঠে।

বৰ্ত্তমান আবণ্টন দিয়া মাটি আনাৰ মাটিতকৈও খেতিৰ বাবে বেছি উপযোগী আৰু পোনতে দিয়া নগা ৰাজ্যৰ সীমা মূৰীয়া হোৱাত কিছু অসুবিধা হ'ব বুলি ভাবি আৰু পৰিয়াল কেইটাই নিজে সন্মতি প্ৰকাশ কৰাত এই ব্যৱস্থা লোৱা হৈছে যেতিয়া তেওঁলোকক আকৌ আনাৰ ঠাইলৈ নিয়া প্ৰয়োজন হ'ব বুলি বিবেচনা কৰা নাই।

শ্ৰীবিপিন হাজৰিকা ঃ— অধক্ষ্য মহোদয়, মই এটা স্পষ্টীকৰণ বিচাৰিছো। মাননীয় সদস্য গৰাকীয়ে কৈছে যে বাগানৰ ৰাস্তাৰ মাজেদি চাইকেল চলাই গলে নামি যাব লাগে। এইটো বৰ অশোভনীয় কথা হৈছে। এইটো কোন বিভাগত পৰে নেজানে। এই ব্যৱস্থা যাতে ভৱিষ্যতে নেথাকে তাৰ বাবে মই বিনীত ভাৱে অনুৰোধ জনালো।

## ADJOURNMENT

**Mr. Speaker :—** The House Stands adjourued till 10 A. M. on Monday, the 19 th June, 1978.

The House then rose at 11.50 A. M. and stood adjourned till 10 A. M. on Monday, the 19 th June, 1978.

Dated Dispur
The 16 th June, 1978.

P. D. Barua,
Secretary,
Assam Legislative Assembly.